राष्ट्रीय वित्तीय शिक्षा केन्द्र

National Centre for Financial Education

एक आर्थिक रुप से जागरुक और सशक्त भारत

A financially aware and empowered India

Promoted By :-

# বিত্তীয় শিক্ষাৰ হাতপুথি



**মুদ্ৰণ:**
ৰাষ্ট্ৰীয় বিত্তীয় শিক্ষা কেন্দ্ৰ (এন.চি.এফ.ই)
দ্বিতীয় সংস্কৰণ, 2021

**দায়লুপ্তি:**
এই পুস্তিকাখন পাঠকক বিত্তীয় ৰূপত সাক্ষৰ কৰি তোলাৰ এক আন্তৰিকতাপূৰ্ণ উদ্দেশ্যৰে সৈতে এক পঠন আৰু শিক্ষণ সামগ্ৰীৰ ৰূপত প্ৰস্তুত কৰা হৈছে। কোনো বিশেষ বিত্তীয় পণ্য বা সেৱাৰ সন্দৰ্ভত এটা সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত পাঠকক অনুচিতভাৱে প্ৰভাৱিত কৰা ইয়াৰ উদ্দেশ্য নহয়। যিকোনো বিনিয়োগ সম্পন্ন কৰাৰ পূৰ্বে পাঠকসকলক তেওঁলোকৰ বিনিয়োগ পৰামৰ্শদাতাৰ সৈতে আলোচনা কৰিবলৈ কোৱা হ'ল।

**গ্ৰন্থস্বত্ব: উৎসৰ স্বীকৃতি প্ৰদানৰ চৰ্তসাপেক্ষে পুনঃপ্ৰস্তুত কৰিবলৈ অনুমতি দিয়া হয়।**

**এন.চি.এফ.ই (নেশ্যনেল চেন্টাৰ ফৰ ফাইনেন্সিয়েল এডুকেশ্যন)ৰ বিষয়ে**

ৰাষ্ট্ৰীয় বিত্তীয় শিক্ষা কেন্দ্ৰ (এন.চি.এফ.ই) হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ.বি.আই.), ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ড (ছেবি), ভাৰতীয় বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকৰণ (আই.আৰ.ডি.এ.আই.) আৰু পেন্সন নিধি নিয়ামক আৰু বিকাশ প্ৰাধিকৰণ (পি.এফ.আৰ.ডি.এ.)ৰ দ্বাৰা প্ৰৱৰ্তিত অনুচ্ছেদৰ ৪ৰ এটা কোম্পানী (লাভৰ বাবে নহয়)।

**দৰ্শন -** "এখন বিত্তীয়ভাৱে সজাগ আৰু ক্ষমতাশীল ভাৰত"

**উদ্দেশ্য -** উপভোক্তাৰ সুৰক্ষা নিশ্চিত কৰা আৰু অভিযোগ সমাধানৰ বাবে নিৰপেক্ষ আৰু স্বচ্ছ ব্যৱস্থাৰে সৈতে নিয়ন্ত্ৰিত সংস্থাসমূহৰ জৰিয়তে যথোচিত বিত্তীয় পণ্য আৰু সেৱাসমূহ লাভ কৰাৰ দ্বাৰা বিত্তীয় উপকাৰিতা লাভ কৰিবৰ বাবে অধিক ফলপ্ৰসূভাৱে ধনৰ প্ৰবন্ধন কৰাত মানুহক সহায় কৰিবলৈ ব্যাপক পৰিমাণৰ বিত্তীয় শিক্ষাৰ অভিযান আৰম্ভ কৰা।

**ভাৰতীয় বিত্তীয় খণ্ডৰ নিয়ামকসমূহ:**

**আৰ.বি.আই:** ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ.বি.আই) হৈছে ভাৰতৰ কেন্দ্ৰীয় বেংক, যি ভাৰতৰ মুদ্ৰা নীতিসমূহ নিয়ন্ত্ৰণ কৰাৰ লগতে ভাৰতৰ বেংকিং আৰু অনা-বেংকিং বিত্তীয় খণ্ডটোও নিয়ন্ত্ৰণ কৰে।
ৱেবছাইট: https://www.rbi.org.in

**ছেবি:** ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ড (ছেবি) হৈছে ভাৰতীয় প্ৰতিভূতি বজাৰখনৰ নিয়ন্ত্ৰক আৰু প্ৰতিভূতি বজাৰখনৰ উন্নয়ন প্ৰৱৰ্তন কৰাৰ লগতে নিয়ন্ত্ৰণ কৰি প্ৰতিভূতিসমূহৰ ক্ষেত্ৰত বিনিয়োগকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে দায়িত্বশীল।
ৱেবছাইট: https://www.sebi.gov.in

**আই.আৰ.ডি.এ.আই:** ভাৰতীয় বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকৰণ (আই.আৰ.ডি.এ.আই.) হৈছে ভাৰতৰ বীমা তথা পুনঃবীমা উদ্যোগসমূহ নিয়ন্ত্ৰণ আৰু প্ৰৱৰ্তন কৰাৰ বাবে দায়িত্বশীল নিয়ামক সংস্থা।
ৱেবছাইট: https://www.irdai.gov.in

**পি.এফ.আৰ.ডি.এ:** পেন্সন নিধি নিয়ামক আৰু বিকাশ প্ৰাধিকৰণ (পি.এফ.আৰ.ডি.এ.) হৈছে পেন্সন খণ্ডটোৰ প্ৰতিষ্ঠা, উন্নয়ন তথা নিয়ন্ত্ৰণৰ দ্বাৰা বৃদ্ধ বয়সৰ উপাৰ্জনৰ নিশ্চয়তা প্ৰৱৰ্তন কৰাৰ বাবে দায়বদ্ধ নিয়ামক সংস্থা।
ৱেবছাইট: https://www.pfrda.org.in

# সূচীপত্ৰ


| ক্ৰ. নং | মডিউলসমূহ | পৃষ্ঠা নং |
|---|---|---|
| 01 | প্ৰাথমিক অৱধাৰণাসমূহ | 05 |
| 02 | বেংকিং | 08 |
| 03 | ডিজিটেল পে'মেন্টসমূহ | 10 |
| 04 | বীমা | 12 |
| 05 | বিনিয়োগ | 14 |
| 06 | অৱসৰ আৰু পেন্সন | 16 |
| 07 | প্ৰবঞ্চনা প্ৰতিৰোধ আৰু অভিযোগ সমাধান | 18 |

মডিউল 1

# প্ৰাথমিক অৱধাৰণাসমূহ

## আয়, ব্যয় আৰু আয়-ব্যয়ৰ পৰিকল্পনা প্ৰস্তুত

মাহটোৰ শেষত আপোনাৰ হাতত কেতিয়াবা নগদ টকাৰ অভাৱ হয়নে? আপোনাক প্ৰকৃততেই প্ৰয়োজন হোৱা বস্তুবোৰৰ বাবে আপুনি সঞ্চয় কৰিব পৰা নাই যেন নালাগেনে?

আপোনাৰ খৰচসমূহৰ জৰিয়তে নিজৰ উপাৰ্জনৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে – আনকি সঞ্চয় আৰু অতিৰিক্ত খা-খৰচৰ বাবেও আপোনাৰ হাতত কিছু টকা ৰাখিবলৈ আপুনি শিকিব পাৰে। আপোনাৰ হাতলৈ অহা আৰু আপোনাৰ হাতৰপৰা ওলাই যোৱা টকাখিনি আপুনি কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰে চাওঁ আহক।

## প্ৰাথমিকতা নিৰ্ধাৰণ: প্ৰয়োজনীয়তা আৰু হেঁপাহসমূহ

আপোনাৰ প্ৰয়োজনীয়তা আৰু হেঁপাহসমূহৰ মাজত থকা পাৰ্থক্যখিনি আপুনি বুজি পোৱাটো অতি জৰুৰী। ই আপোনাৰ প্ৰাথমিকতাখিনি নিৰ্ধাৰণ কৰাত সহায় কৰিব যাতে আপোনাৰ টকাখিনি আপুনি ক'ত খৰচ কৰিব লাগে সেই কথা আপুনি বুজি পায়।

1. **প্ৰয়োজনীয়তা:** এক অপৰিহাৰ্যতা, প্ৰয়োজনীয় কিবা এটা, জীৱনৰ বাবে অপৰিহাৰ্য কিবা এটা

2. **হেঁপাহ:** এটা ইচ্ছা, মনে বিচৰা কিবা এটা, অপৰিহাৰ্য নহয় তেনেকুৱা কিবা এটা

এই সংজ্ঞাসমূহৰ জৰিয়তে, "মোৰ মূৰৰ ওপৰৰ চালিখন" হৈছে এক প্ৰয়োজনীয়তা। ঠিক সেইদৰে অন্ন, বস্ত্ৰ আৰু ঔষধ-পাতি। "হলত গৈ এখন চিনেমা চোৱাটো" হৈছে এটা হেঁপাহ, ঠিক সেইদৰে এখন দামী শাৰী, আ-অলংকাৰ আদি ক্ৰয় কৰাটোও একেই।



### আয়

আমাৰ চাকৰি, ব্যৱসায়, খেতি-বাতি, পেন্সন আদিৰ জৰিয়তে আমাৰ অধিকাংশৰে আয়ৰ এক উৎস আছে। বহু লোকে নিজৰ বিনিয়োগৰপৰাও সূদৰ উপাৰ্জন কৰি থাকে।

আয়ৰ উৎস যিয়েই নহওক কিয়, আপোনাৰ খা-খৰচৰ জোৰা মৰাৰ লগতে ভৱিষ্যতৰ বাবে সঞ্চয় কৰিবলৈ ইয়াৰ ওপৰত কেনেকৈ চকু ৰাখিব আৰু নিয়ন্ত্ৰণ কৰিব সেই কথা আপুনি জানিব লাগিব।

### ব্যয়

জীয়াই থাকিবৰ বাবে টকা-পইচাৰ খৰচ হ'বই। আপুনি অন্ন, বস্ত্ৰ, গৃহ, যাতায়তী, যোগাযোগ আৰু বহু অন্য অপৰিহাৰ্য খা-খৰচৰ বাবে ধন পৰিশোধ কৰিবলগীয়া হয়। তাৰ পিছত আছে বিভিন্ন ধৰণৰ অৱসৰ বিনোদন, মনোৰঞ্জন তথা আত্মীয়-কুটুম্বৰ বাবে উপহাৰ আদিকে ধৰি আৰু বহু কিবাকিবি। আপুনি যদি নিজৰ লক্ষ্যত উপনীত হ'ব খোজে, আপোনাৰ খা-খৰচখিনিত আপুনি এই দুটা কাম কৰিবই লাগিব:

1. **আপোনাৰ খৰচবোৰ চিনি পাব লাগিব**
2. **অপ্ৰয়োজনীয় খৰচৰ পৰিমাণ কমাব লাগিব।**

আপোনাৰ খৰচ নিয়ন্ত্ৰণ কৰাৰ প্ৰথমটো পদক্ষেপ হৈছে নিজৰ দৈনন্দিন খৰচখিনিৰ ওপৰত চকু ৰখাৰ অভ্যাস কৰা যাতে আপোনাৰ খৰচৰ পৰিমাণ আৰু আপোনাৰ খৰচৰ বিৱৰণবোৰ আপুনি জানিব পাৰে।

**প্ৰত্যেকখন ৰচিদ ভালকৈ ৰাখিব।**

**প্ৰতিটো খৰচ দৈনিক লিখি যাব**

**মাহটোৰ শেষত আপোনাৰ মুঠ খৰচখিনি যোগ কৰিব**

**এই কামটো আপুনি তিনিমাহ কৰিব**


আপুনি কিমান খৰচ কৰিলে আৰু কিহত কৰিলে সেই কথা জানি আচৰিত হ'ব।




## আয়-ব্যয়ৰ পৰিকল্পনা প্ৰস্তুত

এতিয়া যিহেতু আপুনি নিজৰ আয় আৰু ব্যয়ৰ কথা গম পালে, গতিকে সেইখিনি একেঠাইতে অন্তৰ্ভুক্ত কৰাকে আয়-ব্যয়ৰ পৰিকল্পনা কৰা বুলি কোৱা হয়। আয়-ব্যয়ৰ পৰিকল্পনা প্ৰস্তুত কৰাটো কোনো টান কাম নহয়। সহজ কথাত ই হৈছে আয় আৰু ব্যয়ৰ এক তুলনা।

আপোনাৰ মুঠ আয় আৰু মুঠ ব্যয়ৰ মাজত ওলোৱা পাৰ্থক্য ৰাশিটো ধনাত্মক নে ঋণাত্মক?



যদিহে ধনাত্মক, আপোনাৰ হাতত জমাধন আছে। অভিনন্দন! এই অতিৰিক্ত ধনৰাশিৰে আপোনাৰ যদি কিবা বাকী বা ঋণ আছে তেন্তে তাক পৰিশোধ কৰিব লাগিব। নহ'লে আপুনি মাহিলী সঞ্চয়ৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে ভৱিষ্যতৰ বাবে বিনিয়োগ কৰিব পাৰি।




যদিহে ঋনাত্মক, আপোনাৰ ঘাটি লাগিছে। আপোনাৰ আয়-ব্যয়ৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ নিজৰ আয় বৃদ্ধি কৰিব লাগিব। আপুনি হেঁপাহতকৈ প্ৰয়োজনীয়তাখিনিৰ ওপৰত অধিক মনোযোগ দি আপোনাৰ খৰচ কমাব লাগিব।

আয়-ব্যয়ৰ পৰিকল্পনা প্ৰস্তুত কেৱল এবাৰ কৰা কাম নহয়। ইয়াক কাৰ্যকৰী কৰি তুলিবৰ বাবে, আপুনি নিয়মীয়াকৈ কৰিব লাগিব। প্ৰথমে, ইয়াক সপ্তাহিকভাৱে কৰিব আৰু এবাৰ অভ্যস্ত হৈ উঠাৰ পিছত মাহে মাহে কৰিব পাৰে।

## সঞ্চয়

সঞ্চয় হৈছে আপোনাৰ ভৱিষ্যতটো আৰ্থিকভাৱে সুৰক্ষিত হোৱাটো সুনিশ্চত কৰি তোলাৰ এটা প্ৰধান পদক্ষেপ। আপোনাৰ সঞ্চয়ৰাশি বৃদ্ধি পাবৰ বাবে যিমানদূৰ সম্ভৱ সময় দিবৰ বাবে সোনকালেই সঞ্চয় কৰিবলৈ আৰম্ভ কৰক।

**চক্ৰবৃদ্ধিৰ শক্তি কি?**

সাধাৰণ সূদৰ জৰিয়তে, আপুনি কেৱল মূলধনৰ (অৰ্থাৎ আপুনি প্ৰথমতে বিনিয়োগ কৰা ধনৰাশি) ওপৰতহে উপাৰ্জন কৰে; আনহাতে চক্ৰবৃদ্ধিৰ জৰিয়তে আপুনি মূলধনৰ উপৰিও পূৰ্বতে অৰ্জন কৰা সূদৰ ওপৰতো সূদ লাভ কৰে।

100/- টকা 10 বছৰৰ বাবে বিনিয়োগ কৰা হ'ল, 10% হাৰ সূদত, 200/- টকালৈকে সৰল সূদ, আৰু 260/- টকা (প্ৰায়) চক্ৰবৃদ্ধি সূদ সহ, মেছিউৰিটীৰ সময়ত।

**72 নং বিধি:**

72 নং বিধি হৈছে এক প্ৰদত্ত বাৰ্ষিক হাৰৰ লাভৰ বিনিময়ত বিনিয়োগ কৰা ধনৰাশি দুগুণ কৰিবৰ বাবে প্ৰয়োজন হোৱা বছৰসমূহৰ সংখ্যা ধাৰ্য কৰিবলৈ ব্যৱহাৰ কৰা এটা ক্ষিপ্ৰ, উপকাৰী সূত্ৰ

দুগুণ হ'বলৈ লগা বছৰ = 72 / সূদৰ হাৰ

9% সূদৰ হাৰত বিনিয়োগ কৰা 1000/- টকা, 72/9 = 8 বছৰত দুগুণ হ'ব

### সঞ্চয় কেনেকৈ কৰিব?

এতিয়া যিহেতু আপুনি সঞ্চয় কৰি থুজিছেই, গতিকে ইয়াৰ বাবে কেনেদৰে আগবাঢ়িব?

## বিত্তীয় পৰিকল্পনা

আৰ্থিক সিদ্ধান্তসমূহ আমি নিজৰ জীৱনত যিমান যি কাম কৰোঁ তাৰ আধাৰতেই লোৱা হয়। এক নিম্নমানৰ চিন্তাধাৰাৰে লোৱা আৰ্থিক সিদ্ধান্তসমূহে দেউলীয়াৰ পৰ্যায়লৈ লৈ যাব পাৰে, আনহাতে সু-চিন্তিত সুস্থ আৰ্থিক সিদ্ধান্তসমূহে আৰ্থিক কল্যাণ সাধন কৰিব পাৰে। সেইবাবেই আৰ্থিক কল্যাণৰ কাৰণে বিত্তীয় পৰিকল্পনা কৰাটো গুৰুত্বপূৰ্ণ।

আমাৰ বহুতেই ভাবে যে বিত্তীয় পৰিকল্পনা কেৱল অৱসৰকালত/বৃদ্ধাৱস্থাত কৰা বিনিয়োগৰ বিষয়। সেইটো হয় – কিন্তু ই তাতকৈও বহুত বেছি। আপুনি এগৰাকী মহাবিদ্যালয়ৰ স্নাতক, যুৱক, গৃহিনী বা জ্যেষ্ঠ ব্যক্তি যিয়েই নহওক কিয়, বিত্তীয় পৰিকল্পনা হৈছে নিজৰ লক্ষ্যত উপনীত হোৱাটো সুনিশ্চিত কৰিবৰ বাবে আপুনি কিদৰে অগ্ৰসৰ হ'ব তাক যুগুতাই লোৱা এটা বিষয়।

3 টা প্ৰশ্নৰ উত্তৰ দি আপোনাৰ বিত্তীয় পৰিকল্পনা আৰম্ভ কৰক:

*মই এতিয়া ক'ত আছোঁ?*
*মই ক'লৈ যাব খোজোঁ?*
*মই ইয়াৰপৰা তাত কেনেকৈ উপস্থিত হ'ম?*





### এটা বিত্তীয় পৰিকল্পনাই আপোনাক সহায় কৰিব পাৰে:

- ভৱিষ্যতৰ বাবে আপোনাৰ লক্ষ্যসমূহৰ সৈতে আজিৰ প্ৰয়োজনীয়তাখিনিৰ মাজত ভাৰসাম্য ৰক্ষা কৰাত
- আপোনাৰ আৰ্থিক সম্বলসমূহ খুউব ভালদৰে ব্যৱহাৰ কৰাত
- আপোনাৰ পৰিস্থিতি আৰু প্ৰয়োজনীয়তাসমূহত হোৱা পৰিৱৰ্তনৰ সৈতে খাপ খাই পৰাত।
- নিজৰ লক্ষ্যসমূহত উপনীত হ'বৰ বাবে আপোনাক প্ৰয়োজন হোৱা ধনৰ সঞ্চয় কৰাত
- অপ্ৰত্যাশিত জৰুৰীকালীন পৰিস্থিতিৰ বাবে সাজু হোৱাত
- আপোনাৰ বাবে যিটো আটাইতকৈ গুৰুত্বপূৰ্ণ তাক সুৰক্ষিত কৰাত
- কৰ্মজীৱনৰপৰা অৱসৰ ল'বলৈ সাজু হোৱাত
- আপোনাৰ পৰিয়ালটোৰ বাবে কিবা এটা এৰি থৈ যোৱাত
- আপোনাৰ কৰসমূহ চম্ভালি লোৱাত
- উদ্দেশ্য আৰু সুৰক্ষাৰ চেতনাৰে নিজৰ জীৱনটো যাপন কৰাত

## বিত্তীয় লক্ষ্য নিৰ্ধাৰণ

বিত্তীয় পৰিকল্পনাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ পদক্ষেপটো হৈছে লক্ষ্য নিৰ্ধাৰণ। ইয়াৰ বাবে কেতবোৰ হ্ৰস্ব, মধ্যম আৰু দীৰ্ঘ-কালীন বিত্তীয় লক্ষ্য নিৰ্ধাৰণ কৰাটো অপৰিহাৰ্য।



## স্মাৰ্ট (এছ.এম.এ.আৰ.টি) লক্ষ্যসমূহৰ নিৰ্ধাৰণ

আপুনি যদি ক'ৰবালৈ যাব খোজে, তেন্তে আপুনি ৰাস্তাটোৰ কথা জানিব লাগিব। আপোনাৰ টকা-পইচাৰ ক্ষেত্ৰতো একেই কথা। আপোনাৰ টকা-পইচা ভালদৰে পৰিচালনা কৰিবৰ বাবে, আপুনি কিহত খৰচ কৰিব খোজে সেই কথা নিজেই জানিব লাগিব। ইয়াৰ বাবে কেতবোৰ হ্ৰস্ব, মধ্যম আৰু দীৰ্ঘ-কালীন বিত্তীয় লক্ষ্য নিৰ্ধাৰণ কৰাটো গুৰুত্বপূৰ্ণ।




এটা উদাহৰণ স্বৰূপে, **"**এখন মটৰচাইকেলৰ বাবে সঞ্চয় কৰাটো**"** হৈছে এটা অস্পষ্ট আৰু হিচাপ কৰাটোও জটিল। এই ক্ষেত্ৰত আপুনি অগ্ৰগতি লাভ কৰিছেনে নাই বা লক্ষ্যত উপনীত হৈছেনে নাই সেই কথা কেনেকৈ জানিব**?** আনহাতে, "10 মাহৰ ভিতৰত এখন 100 চিচি-ৰ মটৰচাইকেলৰ বাবে 50000 টকা জমা কৰাটো" হৈছে **স্মাৰ্ট।** ই হৈছে **সুনিৰ্দিষ্ট –** আপুনি সঠিকভাৱেই জানে আপুনি কিহৰ বাবে জমা কৰিছে। ই হৈছে **পৰিমেয় –** আপোনাক কিমান প্ৰয়োজন হ'ব আপুনি জানে। ই হৈছে **অনায়াসলব্ধ** আৰু **বাস্তৱধৰ্মী –** আপুনি প্ৰয়োজনীয় মুঠ ধনৰাশিক সৰু সৰু ভাগত ভাগ কৰি ল'ব পাৰে (এটা মাহত 5000 টকা জমা কৰি) যিটো কাম কৰা অধিক সহজ হ'ব। আৰু ই হৈছে **সময়বদ্ধ –** আপুনি 10 মাহৰ এটা সময়সীমা ঠিৰাং কৰি লৈছে।

## সঞ্চয়:

সঞ্চয় হৈছে আপোনাৰ ভৱিষ্যতটো আৰ্থিকভাৱে সুৰক্ষিত হোৱাটো সুনিশ্চিত কৰাৰ এটা প্ৰধান পদক্ষেপ। ই আপোনাক **নিজৰ বিত্তীয় লক্ষ্যবোৰত উপনীত** হোৱাত আৰু আপোনাৰ নিজৰ ভৱিষ্যতৰ ব্যৱস্থা কৰাত সহায় কৰিব।

**সঞ্চয় কি**?

সঞ্চয়ক এই দৃষ্টিৰে চোৱাটো এক ভাল দৃষ্টিভঙ্গী হ'ব:

✗ **সঞ্চয় = আয় – ব্যয়**

✓ **ব্যয় = আয় – সঞ্চয়**

আপুনি কিবা এটা খৰচ কৰাৰ পূৰ্বে আপোনাৰ আয়ৰ এটা অংশ একাষৰীয়াকৈ থোৱা উচিত।

### সঞ্চয় কিয় কৰিব?

সঞ্চয় নকৰিলে, আপুনি যেতিয়া কিবা এটা কিনিব খোজে, তেতিয়া আপুনি টকা ধাৰলৈ ল'ব লাগিব। ঋণ লোৱাটো হৈছে ব্যয়বহুল, কাৰণ আপুনি ঋণটো ঘূৰাই দিলেই নহ'ব; সুদো পৰিশোধ কৰিব লাগিব, তাকো প্ৰায়েই এক অধিক মাহিলী হাৰত। সঞ্চয়ে ঋণ লৈ সুদ পৰিশোধ কৰাৰপৰা আপোনাক ৰক্ষা কৰে।

### সঞ্চয় কেনেকৈ কৰিব?

এতিয়া যিহেতু আপুনি সঞ্চয় কৰি খুজিছেই, গতিকে ইয়াৰ বাবে কেনেদৰে আগবাঢ়িব? এই পৰামৰ্শকেইটা মনত ৰাখিব:

আপোনাৰ জমা আৰু খৰচৰ বাবে এখন আঁচনি যুগুতাই ল'ব। অপ্ৰয়োজনীয় খৰচ-পাতিবোৰ কমাব আৰু আপোনাৰ ৰাহি ধনখিনি এটা সুকীয়া একাউণ্টত জমা কৰিব। আপোনাৰ প্ৰয়োজনীয় বস্তুবোৰৰ বাবে খৰচ কৰিব, কিন্তু ভাবি-চিন্তি।

সঞ্চয় কৰিবলৈ আৰম্ভ কৰাৰ পূৰ্বে যিকোনো উচ্চ-হাৰৰ ধাৰ সাধাৰণতে মাৰি লোৱাটো ভাল, কাৰণ আপুনি এটা ছেভিংছ প্লেনৰপৰা যিমান লাভ কৰিব তাতকৈ এইবোৰত সাধাৰণতে খৰচ বেছি হয়। প্ৰথমে এই ধাৰখিনি মাৰি লৈ তাৰ পিছতহে এটা ছেভিংছ একাউণ্টত নিয়মীয়াকৈ ধন জমা কৰিব।

প্ৰথমে নিজেই পৰিশোধ কৰিব। আপুনি কিবা এটাত খৰচ কৰাৰ পূৰ্বে আপোনাৰ আয়ৰপৰা কিছু ধন সুকীয়াকৈ থ'ব। বিভিন্ন খৰচৰ বাবে সঞ্চয় কৰাৰ পিছত বাকী থকা ধনৰাশিহে ব্যৱহাৰ কৰিব। তাৰোপৰি, আপোনাৰ উপাৰ্জন বৃদ্ধি পালে, আপোনাৰ সঞ্চয়ত বৰ্ধিত ধনৰাশিৰো (যদি পাৰে সৰহভাগেই) কিছু জমা কৰিব। এই অতিৰিক্ত ধনৰাশি খৰচ কৰাত অভ্যস্ত হোৱাৰ পূৰ্বেই আপুনি এনে কৰাটো অধিক সহজ হ'ব।

আপোনাৰ সঞ্চিত ধনৰাশিত নিয়মীয়াকৈ বৰঙণি আগবঢ়াই যাব। ইয়াক সহজ কৰি তুলিবৰ বাবে, আপোনাৰ ছেভিংছ একাউণ্টলৈ এটা স্বয়ংক্ৰিয় মাহিলী হস্তান্তৰৰ ব্যৱস্থা কৰিব

আপোনাৰ সঞ্চয় সৰ্বাধিক কৰি তুলিবৰ বাবে কৰ লাভালাভ আঁচনিবোৰ ব্যৱহাৰ কৰিব। আপোনাৰ সঞ্চিত ধনৰাশিৰ ওপৰত পৰিশোধ কৰিবলগীয়া কৰসমূহ হ্ৰাস কৰিবৰ বাবে ই.পি.এফ, পি.পি.এফ, এন.এছ.চি, ই.এল.এছ.এছ, এছ.এছ.ৱাই, এন.পি.এছ আদিৰ দৰে আঁচনিবোৰ হৈছে এটা উত্তম উপায়।

## ক'ত সঞ্চয় কৰিব?

আপুনি জানেনে প্ৰতি মাহে আপুনি কিছু পৰিমাণে হ'লেও ৰাহি কৰিব পাৰে। এই ৰাহি হোৱা ধনৰাশি নিৰাপদে ৰাখিবলৈ আপুনি কি কৰা উচিত? ইয়াৰ বহুতো বিকল্প আছে। ই এটা বেংকত এখন ছেভিংছ একাউণ্ট খোলাৰ দৰেই সহজ। ই হ'ব পাৰে ৰেকাৰিং বা ফিক্স ডিপোজিট, নাইবা ডাকঘৰৰ সঞ্চয় আঁচনিবোৰ।

### সঞ্চয়ৰ সময়ত মন কৰিবলগীয়া বিষয়বোৰ:

- আপোনাৰ সঞ্চিত ধনৰাশি ভিন্নধৰ্মী মাধ্যমত বিনিয়োগ কৰাটো সুনিশ্চিত কৰিব (বিনিয়োগসমূহৰ মডিউলটো চাওক)।
- কিছু অংশ ৰোকৰ সম্পত্তিত থাকিব লাগে যাতে প্ৰয়োজন হ'লেই আপুনি টকা উলিয়াব পাৰে।
- আপোনাৰ টকাখিনি অতি বিপদসংকুল/অনিয়ন্ত্ৰিত মাধ্যমসমূহত জমা নকৰিব, আপুনি ইয়াক সমূলাংশে হেৰুৱাব পাৰে!!!

## মডিউল 2

# বেংকিং



এটা বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান যি জনসাধাৰণৰপৰা জমা লয় আৰু ঋণ প্ৰদান কৰে। ভাৰতত বেংকিং খণ্ডটো ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ.বি.আই)ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। এতিয়া বিভিন্ন প্ৰকাৰৰ বেংক জমাৰাশিৰ বিষয়ে চমুকৈ বুজি লওঁ আহক:-

### ছেভিংছ একাউণ্ট (চাহিদা আমানত)

ছেভিংছ একাউণ্টবোৰ হ্ৰস্ব-কালীন সঞ্চয়ৰ বাবে উপযোগী। আপুনি যিকোনো বেংকতে থকা এটা ছেভিংছ একাউণ্টত ধন জমা কৰিব পাৰে। ই আপোনাৰ সঞ্চিত ধনৰাশি নিৰাপদে ৰখাৰ লগতে অলপ সূদো দিয়ে। আপোনাৰ প্ৰয়োজন হ'লেই নিজৰ টকা উলিয়াই ল'ব পাৰে।

### ৰেকাৰিং ডিপোজিট (সময়বদ্ধ জমাৰাশি)

ৰেকাৰিং ডিপোজিট যাক বেছিকৈ আৰ.ডি বুলি কোৱা হয়, আপুনি যদি এখন গাড়ী কিনাৰ দৰে যিকোনো বিশেষ উপলক্ষে সাময়িকভাৱে সঞ্চয় কৰি এটা পুঁজি সাজু কৰিব খোজে, তেন্তে ইয়াক সৰ্বোত্তম বুলি কোৱা হয়। যাৰ জমা কৰিবৰ বাবে সৰহীয়া ধন নাই কিন্তু প্ৰতি মাহে ক্ষুদ্ৰ পৰিমাণে জমা কৰিবলৈ সাজু তেনে লোকৰ বাবে এইবোৰ উপযোগী। ইয়াত টকা উলিয়াবলৈ দিয়া নহয়।

### ফিক্সড ডিপোজিট (সময়বদ্ধ জমাৰাশি)

সাধাৰণতে এফ.ডি বুলি কোৱা ইয়াত আপুনি এটা পৰিমাণৰ ধনৰাশি এটা নিৰ্দিষ্ট সময়ৰ বাবে জমা কৰিব পাৰে। ইয়াত জমাকৰ্তাক এখন ম্যাদী জমাৰ ৰচিদ দিয়া হয়, যাক মেছিউৰিটীৰ সময়ত জমাকৰ্তাই দাখিল কৰিব লাগে। ইয়াত টকা উলিয়াবলৈ দিয়া নহয় যদিও, প্ৰয়োজনবোধে, জমাকৰ্তাই এটা জৰিমণা ভৰি ফিক্সড ডিপোজিট একাউণ্টটো বন্ধ কৰিবলৈ আৱেদন জনাব পাৰে।

### জমাৰাশিৰ বীমা

ডিপোজিট ইন্সুৰেন্স এণ্ড ক্ৰেডিট গেৰাণ্টী ক'ৰ্পোৰেশ্যনে (ডি.আই.চি.জি.চি) ছেভিংছ, ফিক্সড, কাৰেণ্ট, ৰেকাৰিং আদি সকলো জমাৰে বীমা কৰে। এটা বেংকৰ জমাকৰ্তাৰ মূলধন আৰু সূদৰাশিৰ বাবদ সৰ্বাধিক 5,00,000 টকালৈকে প্ৰতিগৰাকী জমাকৰ্তাক বীমা কৰা হয়।

বিত্তীয় অন্তৰ্ভুক্তিৰ বাবে ৰাষ্ট্ৰীয় অভিযানৰ অধীনষ্ঠ **"প্ৰধান মন্ত্ৰী জন-ধন যোজনা (পি.এম.জে.ডি.ৱাই)"** আৰম্ভণিতে 214 বৰ্ষৰ 28 আগষ্ট তাৰিখে 4 বছৰৰ বাবে (দুটা পৰ্যায়ত) মুকলি কৰা হৈছিল। ইয়াত প্ৰত্যেকটো পৰিয়ালৰ বাবে অন্ততঃ এটা প্ৰাথমিক বেংক একাউণ্ট সহ বেংকৰ সা-সুবিধাবোৰ সাৰ্বজনীনভাৱে লাভ কৰা, বিত্তীয় সাক্ষৰতা, ঋণ, বীমা আৰু পেন্সন লাভ কৰাৰ সুবিধা প্ৰদানৰ পৰিকল্পনা কৰা হৈছে।

চৰকাৰে তলত দিয়া সংশোধনীৰ জৰিয়তে "প্ৰতিটো পৰিয়ালৰ" পৰা "প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ" একাউণ্ট খোলাৰ ওপৰত জোৰ দি 28.8.2018 তাৰিখটো অতিক্ৰম কৰি যোৱাৰ পিছতো সৰ্বাত্মক পি.এম.জে.ডি.ৱাই. আঁচনিখনৰ সময়সীমা বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে:

(i) চলিত অভাৰ ড্ৰাফ্টৰ (অ'.ডি) সীমা 5,000 টকাৰপৰা 10,000 টকালৈ সংশোধিত কৰা হৈছে।
(ii) 2,000 টকা পৰ্যন্ত অ' ডি.ৰ লাভ আদায় কৰা সক্ৰিয় পি.এম.জে.ডি.ৱাই. একাউণ্টবোৰৰ ক্ষেত্ৰত কোনো চৰ্ত দিয়া হোৱা নাই।
(iii) অ'.ডি.ৰ লাভ আদায় কৰাৰ ক্ষেত্ৰত বয়সৰ সময় সীমা 18-60 বছৰৰপৰা 18-65 বছৰলৈ সংশোধিত কৰা হৈছে।
(iv) 28.8.2018 তাৰিখ পিছত নতুনকৈ খোলা পি.এম.জে.ডি.ৱাই. একাউণ্টবোৰৰ ক্ষেত্ৰত নতুন ৰূপে' (ৰুপে) কাৰ্ডধাৰকসকলৰ বাবে দুৰ্ঘটনামূলক বীমা কভাৰেজ বৰ্তমানৰ 1 লাখ টকাৰপৰা 2 লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

অধিক তথ্যৰ বাবে পৰিদৰ্শন কৰক: https://pmjdy.gov.in/

## ভাৰতত বেংক ব্যৱস্থা

### পৰম্পৰাগত বাণিজ্যিক বেংকসমূহ

**ৰাজহুৱা খণ্ডৰ বেংকসমূহ:** ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ ক্ষেত্ৰত চৰকাৰেই হৈছে সংখ্যাগৰিষ্ঠ অংশীদাৰ। ভাৰতত, ৰাষ্ট্ৰীয়কৃত বেংকবোৰৰ লগতে আঞ্চলিক গ্ৰামীণ বেংকবোৰ এইটো শ্ৰেণীৰ ভিতৰত পৰে। উদাহৰণ: এছ.বি.আই, বি.অ'.বি, পি.এন.বি আদি।

**ব্যক্তিগত খণ্ডৰ বেংকসমূহ:** ব্যক্তিগত খণ্ডৰ বেংকসমূহৰ ক্ষেত্ৰত গৰিষ্ঠসংখ্যক অংশ ব্যক্তিগত অংশধাৰকসকলৰ হাতত থাকে। ইয়াৰ সকলোবোৰ নীতি-নিয়ম ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্ধাৰণ কৰে। উদাহৰণ: এইচ.ডি.এফ.চি বেংক, আই.চি.আই.চি.আই বেংক। এক্সিছ বেংক আদি।

**আঞ্চলিক গ্ৰামীণ বেংকসমূহ:** এই বেংকবোৰ প্ৰধানকৈ উপান্ত কৃষক, শ্ৰমিক, ক্ষুদ্ৰ উদ্যোগী আদিৰ দৰে সমাজৰ দুৰ্বল শ্ৰেণীটোক সহায় কৰিবৰ বাবে স্থাপন কৰা হৈছিল। এইবোৰ প্ৰধানকৈ বিভিন্ন ৰাজ্যৰ আঞ্চলিক পৰ্যায়বোৰত পৰিচালিত হয়।

### সমবায় বেংকসমূহ

**সমবায় বেংকসমূহ:** ভাৰতৰ গ্ৰাম্য সমবায় ঋণ ব্যৱস্থাটোক মুখ্যতে কৃষি খণ্ডটোলৈ ঋণৰ প্ৰবাহ সুনিশ্চিত কৰিবৰ বাবে অধিকাৰ প্ৰদান কৰা হৈছিল। ই এই তিনি-তৰপীয়া ব্যৱস্থাত পৰিচালিত হয়- গাওঁ পৰ্যায়ত থকা প্ৰাথমিক কৃষি ঋণ সমিতিসমূহ, জিলা পৰ্যায়ত থকা কেন্দ্ৰীয় সমবায় বেংকসমূহ আৰু ৰাজ্যিক পৰ্যায়ত থকা ৰাজ্যিক সমবায় বেংকসমূহ।
নগৰাঞ্চলৰ সমবায় বেংকসমূহে (ইউ.চি.বি.বোৰ) নগৰ অঞ্চলৰ লগতে অৰ্ধ-নগৰী এলেকাসমূহত থকা গ্ৰাহকসকলৰ বিত্তীয় অভাৱ পূৰণ কৰে।

### নতুন বেংকিং ম'ডেলসমূহ

**পে'মেণ্ট বেংকসমূহ:** এই বেংকবোৰে এক সীমিত জমাৰাশি গ্ৰহণ কৰিব পাৰে, যিটো বৰ্তমানে প্ৰতিগৰাকী গ্ৰাহকৰ বিপৰীতে 100,000 টকাৰ ভিতৰত সীমিত আৰু পৰৱৰ্তী পৰ্যায়ত হয়তো বৃদ্ধি পাবও পাৰে। পে'মেণ্ট বেংকবোৰে এ.টি.এম কাৰ্ড, ডেবিট কাৰ্ড, নেট বেংকিং আৰু মোবাইল বেংকিঙৰ দৰে সেৱাসমূহো আগবঢ়াব পাৰে। উদাহৰণ: ইণ্ডিয়ান পোষ্ট পে'মেণ্ট বেংক (আই.পি.পি.বি)

**স্মল ফাইনেন্স বেংকসমূহ:** ই জমা লোৱা আৰু ঋণ প্ৰদান কৰাৰ দৰে প্ৰাথমিক বেংকিং সেৱাবোৰ আগবঢ়ায়। ইয়াৰ আঁৰত থকা উদ্দেশ্যটো হৈছে অন্য বেংকবোৰৰ দ্বাৰা সেৱা লাভ নকৰা অৰ্থনৈতিক খণ্ডটোক বিত্তীয় অন্তৰ্ভুক্তিৰ সুবিধা প্ৰদান কৰা, যেনে ক্ষুদ্ৰ ব্যৱসায়িক গোটসমূহ, ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকল, ক্ষুদ্ৰ তথা কুটীৰ উদ্যোগসমূহৰ লগতে অসংগঠিত খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠানবোৰ।

### উন্নয়নমূলক বিত্তীয় প্ৰতিষ্ঠানসমূহ (ডি.এফ.আই)

এটা উন্নয়নমূলক বিত্তীয় প্ৰতিষ্ঠান (ডি.এফ.আই) যাক উন্নয়ন বেংক বুলিও জনা যায়, ই হৈছে এটা বিত্তীয় প্ৰতিষ্ঠান যি অবাণিজ্যিক আধাৰত অৰ্থনৈতিক উন্নয়নজনিত প্ৰকল্পসমূহৰ বাবে সংশয় মূলধনৰ যোগান ধৰে। উদাহৰণ: স্মল ইণ্ডাষ্ট্ৰিজ ডেভেলপমেণ্ট বেংক অফ ইণ্ডিয়া (এছ.আই.ডি.বি.আই), নেশ্যনেল বেংক ফৰ এগ্ৰিকালশ্যাৰেল এণ্ড ৰুৰেল ডেভেলপমেণ্ট (নাবাৰ্ড), নেশ্যনেল হাউছিং বেংক (এন.এইছ.বি) আদি।

### লঘু বিত্তীয় বা মাইক্ৰ ফাইনেন্স প্ৰতিষ্ঠানসমূহ (এম.এফ.আই)

লঘু বিত্তযোগানকেই নিজৰ প্ৰধান কামকাজ হিচাপে লোৱা প্ৰতিষ্ঠানবোৰকে মাইক্ৰ ফাইনেন্স প্ৰতিষ্ঠান বুলি জনা যায়। এই প্ৰতিষ্ঠানবোৰে কেৱল ক্ষুদ্ৰ ঋণ আগবঢ়োৱাই নহয়, তাৰ লগতে বীমা, অৰ্থপ্ৰেৰণৰ দৰে বিত্তীয় সেৱাসমূহ আৰু ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰিবৰ বাবে ব্যক্তিগত পৰামৰ্শদান, প্ৰশিক্ষণ আৰু সাহায্যৰ দৰে অ-বিত্তীয় সেৱাসমূহো প্ৰদান কৰাটোও সহজসাধ্য কৰি তোলে।

**অনা-বেংকিং বিত্তীয় কোম্পানী (এন.বি.এফ.চি):** এটা অনা-বেংকিং বিত্তীয় কোম্পানী হৈছে আৰ.বি.আই.ৰ দ্বাৰা নিয়ন্ত্ৰিত 1956/2013 বিধি অনুযায়ী পঞ্জীয়ণভুক্ত এটা কোম্পানী। এন.বি.এফ.চি. ঋণ তথা অগ্ৰীম ধন প্ৰদান, প্ৰতিভূতি অধিগ্ৰহণ, ব্যৱসায় লীজলৈ লোৱা, ভাড়া-ক্ৰয়, বীমাৰ ব্যৱসায়, চিট (অনুমতিপত্ৰ) ব্যৱসায় আদিত জড়িত থাকে। এইবোৰ বেংকতকৈ পৃথক, এইবোৰে সাধাৰণতে চাহিদা আমানতসমূহ গ্ৰহণ নকৰে, আৰু ধন পৰিশোধ আৰু মীমাংসা ব্যৱস্থাৰ অংশ হ'ব নোৱাৰে

বিজনেছ কৰেছপণ্ডেন্ট (বি.চি.): বেংকৰ প্ৰতিনিধি ৰূপে কাম কৰিবৰ বাবে বি.চি. হিচাপে স্থানীয় ব্যক্তি আৰু অন্যান্যক নিয়োগ কৰিবলৈ বেংকবোৰক অনুমতি দিয়া হৈছে। হাতত লৈ ফুৰা যন্ত্ৰপাতি, স্মাৰ্টকাৰ্ড আধাৰিত সঁজুলি আৰু মোবাইল ফোন আদিৰ দৰে উপকৰণসমূহৰ আধাৰত বি.চি.য়ে তথ্য আৰু যোগাযোগ পদ্ধতিৰ (আই.চি.টি.) ব্যৱহাৰ কৰে। বি.চি. হৈছে আমাৰ দুৱাৰমুখতে বেংকিং সেৱা আগবঢ়োৱাৰ এটা পদ্ধতি কিয়নো বেংকৰ শাখা আমি ঢুকি পোৱাৰপৰা বহু দূৰৈত থাকে।

## ঋণ আৰু দেনা ব্যৱস্থাপনা

বহু মানুহে ঘৰ, গাড়ী ক্ৰয় কৰাৰ লগতে সন্তানৰ শিক্ষাৰ বাবে ধন ধাৰে ল'বলগীয়া হয়। ইয়াকেই ঋণ বুলি কোৱা হয়। বিত্ত বিশেষজ্ঞসকলে প্ৰায়েই প্ৰশস্ত দেনা আৰু বাজে দেনাৰ ওপৰত পাৰ্থক্য আছে বুলি কয়। প্ৰশস্ত দেনা হৈছে এনে এটা বস্তুৰ ওপৰত কৰা বিনিয়োগ যি মূল্যৰ সৃষ্টি কৰে বা দীৰ্ঘদিন ধৰি অধিক সম্পদ উৎপাদন কৰে। বাজে দেনা হৈছে মূল্য লগে লগে কমি যোৱা কিবা এটা ক্ৰয় কৰাৰ বাবে লোৱা ঋণ।

## ডেবিট কাৰ্ড বনাম ক্ৰেডিট কাৰ্ড







**হ্ৰস্ব কালীন ঋণ** যেনে: কাৰ্যকৰী মূলধন, ক্ৰেডিট কাৰ্ড

তুলনা


**মধ্যম/দীৰ্ঘ-কালীন ঋণ যেনে:** গৃহ নিৰ্মাণ ঋণ, ঔদ্যোগিক ঋণ

## কিষাণ ক্ৰেডিট কাৰ্ড

- নগদ ঋণৰ সুবিধা সহজেই পাবৰ বাবে কৃষকসকলক সহায় কৰাৰ উদ্দেশ্যে ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু নাবাৰ্ড-এ একেলগে কে.চি.চি.ৰ ধাৰণাটো আৰম্ভ কৰিছিল।
- কৃষকসকলে বীজ, ৰসায়নিক সাৰ আৰু কীটনাশকৰ দৰে কৃষিমূলক বিনিয়োগসমূহ সহজেই ক্ৰয় কৰিবলৈ কে.চি.চি.ৰ ব্যৱহাৰ কৰিব পাৰে। বিভিন্ন শস্যৰ কৃষিকাৰ্যত হ্ৰস্ব কালীন তথা সময়োচিত ঋণৰ প্ৰয়োজনীয়তা পূৰণ কৰাত কে.চি.চি.য়ে সহায় কৰে।

**চেক**

এখন চেক হৈছে এটা বেংক একাউন্টৰপৰা ধন পৰিশোধ কৰিবলৈ আদেশ জাৰি কৰা এখন নথি।




**<u>চৰকাৰী ঋণ আঁচনিসমূহৰ কেতবোৰ উদাহৰণ</u>**

**বিদ্যালক্ষ্মী পোৰ্টেলৰ জৰিয়তে শিক্ষামূলক ঋণ**

- ই হৈছে শিক্ষামূলক ঋণ লোৱাৰ সহজ তথা সাৰ্থক ব্যৱস্থা যাতে টকা-পইচাৰ অভাৱত কোনো শিক্ষাৰ্থীয়ে নিজৰ শিক্ষা আধাতে এৰিবলগীয়া নহয়
- ইয়াত শিক্ষাৰ্থীসকলৰ বাবে সাধাৰণ শিক্ষা ঋণৰ আৱেদনপত্ৰ পোৱা যায়। পৰিদৰ্শন কৰক: www.vidyalakshmi.co.in

**প্ৰধানমন্ত্ৰী আৱাস যোজনা (পি.এম.এ.ৱাই)**


- কম উপাৰ্জনক্ষম গোট/আৰ্থিকভাৱে অধিক দুৰ্বল খণ্ড আৰু মধ্যমীয়া উপাৰ্জনক্ষম গোটৰ বাবে ক্ৰেডিট লিংকড ছাবছিডি স্কীম।
- এজন লোকে যেতিয়া নিজৰ প্ৰথম ঘৰটো ক্ৰয় কৰে বা এটা নতুন ঘৰ নিৰ্মাণ কৰে তেতিয়া ৰাজসাহায্য পোৱাৰ বাবে যোগ্যতা থাকে পৰিদৰ্শন কৰক: https://pmaymis.gov.in

**প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা (পি.এম.এম.ৱাই)**

- এটা চৰকাৰী আঁচনি যি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ মালিক বা উদ্যোগীসকললৈ বাণিজ্যিক ঋণৰ সুবিধা আগবঢ়ায়
- আগবঢ়োৱা ঋণবোৰ হৈছে: লাভ কৰা ঋণ ৰাশিৰ আধাৰত শিশু, কিশোৰ আৰু তৰুণ
- প্ৰয়োজনীয় প্ৰধান নথি-পত্ৰবোৰ: পৰিচয়ৰ প্ৰমনাণপত্ৰ, ক্ৰয় কৰা সামগ্ৰীসমূহৰ উদ্ধৃতিপত্ৰ আৰু শ্ৰেণীমূলক প্ৰমাণপত্ৰ পৰিদৰ্শন কৰক: https://www.mudra.org.in

# মডিউল 3 ডিজিটেল পে'মেন্টসমূহ

ডিজিটেল পে'মেন্টসমূহ হৈছে সেইবোৰ ধন পৰিশোধ ব্যৱস্থা য'ত পৰিশোধকৰ্তা আৰু প্ৰাপক উভয়েই ধন প্ৰেৰণ আৰু লাভ কৰিবৰ বাবে বৈদ্যুতিন মাধ্যমৰ ব্যৱহাৰ কৰে।



## ডিজিটেল পে'মেন্টসমূহৰ সুবিধাবোৰ

- ক্ষিপ্ৰ, সহজ আৰু সুবিধাজনক।
- কম খৰচী আৰু লেনদেন মাচুল কম।
- লেনদেনসমূহৰ এক ডিজিটেল অভিলেখ প্ৰদান কৰে যাক গ্ৰাহকসকলে অনুধাৱন কৰিব পাৰে।
- যিকোনো প্ৰকাৰৰ ধন পৰিশোধৰ বাবে একে ঠাইতে ব্যৱস্থা কৰি দিয়ে।



**ডিজিটেল পেমেন্টত কি কৰিব আৰু কি নকৰিব**

| কি কৰিব | কি নকৰিব |
|---|---|
| আপোনাৰ মোবাইল আৰু কম্পিউটাৰৰ বাবে পাছৱৰ্ডৰ ব্যৱহাৰ কৰিব যাতে আন কোনোৱে আপোনাৰ ছিষ্টেমবোৰত সোমাব নোৱাৰে। | আপোনাৰ মোবাইল বেংকিং লগইন আৰু পাছৱৰ্ড কেতিয়াও ফোনটোত ছেভ কৰি নাৰাখিব। ইয়াক মনত ৰাখি থ'ব বা আন ক'ৰবাত লিখি ৰাখিব। |
| সদায় আপোনাৰ বেংকৰ নিৰাপদ ইন্টাৰনেট বেংকিং ছাইটটোহে পৰিদৰ্শন কৰিব | আপোনাৰ হেণ্ডছেটটো এৰি থৈ নাযাব বা এটা মোবাইল বেংকিং এপ্প লগইন কৰি থোৱা অৱস্থাতে এৰি থৈ নাযাব। |
| আপোনাৰ লেনদেন সম্পূৰ্ণ হোৱাৰ পিছত নিজৰ ইন্টাৰনেট বেংকিঙৰপৰা ততালিকে লগআউট কৰিব | মোবাইলৰ জৰিয়তে বিত্তীয় লেনদেন কৰি থকাৰ সময়ত আপোনাৰ ফোনটোৰ ওচৰৰপৰা আঁতৰি নাযাব |
| আপুনি নিজৰ একাউণ্টত অনধিকৃত লেনদেনৰ সন্দেহ কৰিলে, বিষয়টো ততালিকে আপোনাৰ বেংকক অৱগত কৰিব | অবিশ্বাসী আৰু সন্দেহজনক উৎসমূহৰপৰা এপ্পবোৰ কেতিয়াও ডাওনলোড নকৰিব |

## ডিজিটেল পে'মেন্টৰ পদ্ধতিসমূহ

নগদবিহীন লেনদেনৰ লগতে ভাৰতবৰ্ষক কম নগদ ধনৰ সমাজলৈ ৰূপান্তৰ কৰাৰ অংশ হিচাপে, ডিজিটেল পেমেন্টৰ বহুতো মাধ্যম পোৱা যায়।

(উৎস: www.cashlessindia.gov.in)

| | |
|---|---|
| বেংকিং কাৰ্ডসমূহ  | বেংক প্ৰিপেইড কাৰ্ডসমূহ  |
| ইন্টাৰনেট বেংকিং  | বিক্ৰী কেন্দ্ৰ  |
| মোবাইল বেংকিং  | আনষ্ট্ৰাকশ্যাৰ্ড ছাপ্লিমেণ্টেৰী ছাৰ্ভিচ ডেটা (ইউ.এছ.এছ.ডি)  |
| মাইক্ৰ এ.টি.এম.সমূহ  | আধাৰ সক্ষমিত পৰিশোধ ব্যৱস্থা (এ.ই.পি.এছ)  |
| মোবাইল ৱালেটসমূহ  | ইউনিফাইড পে'মেন্ট ইন্টাৰফেচ (ইউ.পি.আই)  |

## ইন্টাৰনেট বেংকিং

ইন্টাৰনেট বেংকিং, যাক অনলাইন বেংকিং বুলিও জনা যায়, ই-বেংকিং বা ভাৰ্চুৱেল বেংকিং হৈছে এটা বৈদ্যুতিন ধন পৰিশোধ ব্যৱস্থা যি বিত্তীয় প্ৰতিষ্ঠানৰ ৱেবছাইটটোৰ জৰিয়তে এক নিৰ্দিষ্ট পৰিমাণৰ আৰ্থিক লেনদেন কৰিবৰ বাবে এটা বেংক বা বিত্তীয় প্ৰতিষ্ঠানৰ গ্ৰাহকসকলক ক্ষমতা প্ৰদান কৰে। ইয়াৰ লেনদেনৰ প্ৰকাৰবোৰ এনেধৰণৰ:

**নেশ্যনেল ইলেক্ট্ৰনিক ফাণ্ড ট্ৰান্সফাৰ (এন.ই.এফ.টি)**

ই হৈছে হিতাধিকাৰীৰ একাউণ্ট নম্বৰ আৰু আই.এফ.এছ.চি.(ইণ্ডিয়ান ফাইনেন্সিয়েল ছিষ্টেম কোড) ব্যৱহাৰ কৰি এটা বেংক একাউণ্টৰপৰা অন্য এটা বেংক একাউণ্টলৈ পুঁজিৰ হস্তান্তৰ।

ন্যূনতম সীমা: কোনো সীমা নাই    অধিকতম সীমা: কোনো সীমা নাই

**ৰীয়েল টাইম গ্ৰছ ছেটেলমেণ্ট (আৰ.টি.জি.এছ)**

হিতাধিকাৰীৰ একাউণ্ট নম্বৰ আৰু আই.এফ.এছ.চি. কোড ব্যৱহাৰ কৰি অধিক পৰিমাণৰ লেনদেন সহজসাধ্য কৰি তোলাৰ জৰিয়তে এক বাস্তৱিক সময়ৰ আধাৰত এটা বেংক একাউণ্টৰপৰা অন্য বেংকৰ বেলেগ এটা একাউণ্টলৈ পুঁজিৰ হস্তান্তৰ।

ন্যূনতম সীমা: ২ লাখ    অধিকতম সীমা: কোনো সীমা নাই

**ইমেডিয়েট পে'মেণ্ট ছাৰ্ভিচ (আই.এম.পি.এছ)**

তৎকালীন পুঁজি হস্তান্তৰ সহজসাধ্য কৰি তোলাৰ জৰিয়তে এটা বেংক একাউণ্টৰপৰা অন্য এটালৈ পুঁজিৰ হস্তান্তৰ।
মোবাইল জৰিয়তে পুঁজি হস্তান্তৰ কৰিবৰ বাবে, বেংকটোৱে জাৰি কৰা মোবাইল মানি আইডেন্টিফায়াৰ (এম.এম.আই.ডি) প্ৰয়োজন হয়। হিতাধিকাৰীৰ একাউণ্ট নম্বৰ আৰু আই.এফ.এছ.চি. কোড ব্যৱহাৰ কৰিও ইয়াৰ লেনদেন কৰিব পাৰি।

আই.এম.পি.এছ, এন.ই.এফ.টি আৰু আৰ.টি.জি.এছ ব্যৱস্থা 24 x 7 ত উপলভ্য

## মোবাইল বেংকিং

মোবাইল বেংকিং হৈছে এটা বেংক বা অন্য বিত্তীয় প্ৰতিষ্ঠানে আগবঢ়োৱা এটা সেৱা, যি এটা মোবাইল ফোন বা টেবলেটৰ দৰে ভ্ৰাম্যমান সঁজুলি ব্যৱহাৰ কৰি দূৰৰপৰাই বিভিন্ন প্ৰকাৰৰ বিত্তীয় লেনদেন সম্পন্ন কৰিবলৈ ইয়াৰ গ্ৰাহকসকলক সুবিধা প্ৰদান কৰে।

## মোবাইল ৱালেট

এটা মোবাইল ৱালেট হৈছে ডিজিটেল ৰূপত নগদ ধন লৈ ফুৰাৰ এটা পদ্ধতি। ডিজিটেল ৱালেটত ধন ভৰাবৰ বাবে ইয়াৰ সৈতে যোগসূত্ৰ স্থাপন কৰিবলৈ এজন ব্যক্তিৰ একাউণ্টৰ প্ৰয়োজন হয়। অধিকাংশ বেংকৰ লগতে কেতবোৰ ব্যক্তিগত কোম্পানীৰো নিজৰ ই-ৱালেট আছে, যেনে- পে'টিএম, ফ্ৰীচাৰ্জ, মোবিকুইক, অক্সিজেন, এয়াৰটেল মানি আদি।

## বিক্ৰী কেন্দ্ৰ

এটা বিক্ৰী কেন্দ্ৰ (পি.অ'.এছ) হৈছে এখন ঠাইত য'ত বিক্ৰী সম্পন্ন কৰা হয়। বৃহৎ পৰিসৰত এটা মল, এখন বজাৰ বা এখন মহানগৰ এটা পি.অ'.এছ হ'ব পাৰে। সূক্ষ্ম পৰিসৰত, গ্ৰাহকে এটা লেনদেন সম্পন্ন কৰা এটা অঞ্চলটোৰ ৰিটেইলাৰসকলক এটা পি.অ'.এছ হিচাপে গণ্য কৰা হয়, যেনে এটা চেকআউট কাউণ্টাৰ। ইয়াক ক্ৰয় কেন্দ্ৰ হিচাপেও জনা যায়।

## মাইক্ৰ এ.টি.এম.সমূহ

মাইক্ৰ এ.টি.এম. মানে প্ৰাথমিক বেংকিং সেৱাসমূহ আগবঢ়াবৰ বাবে বিজনেছ কৰেছপণ্ডেণ্ট (বি.চি.)সকলৰ দ্বাৰা ব্যৱহৃত এটা সঁজুলিৰ কথা বুজোৱা হয়। এই প্লেটফৰ্মে তৎকালীন লেনদেন সম্পন্ন কৰিবৰ বাবে বিজনেছ কৰেছপণ্ডেণ্ট (বি.চি.)সকলক (যিজন এগৰাকী স্থানীয় খুচুৰা বিপণিৰ মালিক হ'ব পাৰে আৰু মাইক্ৰ এ.টি.এম. হিচাপে কাম কৰিব) সক্ষম কৰি তুলিব।

## আধাৰ সক্ষমিত পৰিশোধ ব্যৱস্থা (এ.ই.পি.এছ)

এ.ই.পি.এছ হৈছে এটা বেংক চালিত ম'ডেল যি আধাৰ প্ৰামাণ্যকৰণ ব্যৱহাৰ কৰি যিকোনো বেংকৰ বিজনেছ কৰেছপণ্ডেণ্ট (বি.চি.)/বেংক মিত্ৰৰ জৰিয়তে পি.অ'.এছ (বিক্ৰী কেন্দ্ৰ/মাইক্ৰ এ.টি.এম.)ত অনলাইন আন্তঃসংস্থালিত বিত্তীয় লেনদেন কৰাৰ সুবিধা দিয়ে।




## আনষ্ট্ৰাকশ্যাৰ্ড ছাপ্লিমেণ্টেৰী ছাৰ্ভিচ ডেটা (ইউ.এছ.এছ.ডি)

এই অভিনৱ ধন পৰিশোধ সেৱাই ***99#** আনষ্ট্ৰাকশ্যাৰ্ড ছাপ্লিমেণ্টেৰী ছাৰ্ভিচ ডেটা (ইউ.এছ.এছ.ডি) চেনেলত কাম কৰে। এই সেৱাই প্ৰাথমিক সা-সুবিধা থকা মোবাইল ফোন ব্যৱহাৰ কৰি মোবাইল বেংকিং লেনদেনৰ সুবিধা দিয়ে, ইউ.এছ.এছ.ডি আধাৰিত মোবাইল বেংকিং ব্যৱহাৰ কৰিবৰ বাবে মোবাইল ইণ্টাৰনেট ডাটা থকাৰ প্ৰয়োজন নাই। বেংকৰ সা-সুবিধা কমকৈ পোৱা সমাজখনৰ মূলসুঁতিৰ বেংকিং সেৱাসমূহৰ ক্ষেত্ৰত তেওঁলোকৰ বিত্তীয় সামৰ্থতা বৃদ্ধি কৰাৰ লগতে অন্তৰ্ভুক্তিৰ বাবে ইয়াৰ পৰিকল্পনা কৰা হৈছে।

## ইউনিফাইড পে'মেণ্ট ইণ্টাৰফেচ (ইউ.পি.আই)

এটা ব্যৱস্থা যি কেৱল এটা মোবাইল এপ্লিকেশ্যনতে কেইবাটাও বেংক একাউণ্ট পৰিচালিত কৰে (যিকোনো অংশগ্ৰহণকাৰী বেংকৰ), বহুতো বেংকিং সা-সুবিধা একত্ৰিত কৰে, এটা স্থানলৈ পুঁজিৰ ৰুটিং আৰু মাৰ্চেণ্ট পে'মেণ্ট অসোঁৱাহমুক্ত কৰে।

এই ব্যৱস্থাত, এটা বাস্তৱিক সময়ৰ আধাৰত 24 x 7তে পুঁজি হস্তান্তৰ সহজসাধ্য কৰি ভি.পি.এ (ভাৰ্চুৱেল পে'মেণ্ট এড্ৰেছ) দ্বাৰা যিকোনো স্মাৰ্ট ফোনৰ জৰিয়তে লেনদেন কৰিব পাৰি। ইয়াৰ বাবে এজন লোকে ইউ.পি.আই-সমৰ্থিত বেংক এপ্টো ডাউনলোড কৰাৰ লগতে বেংকৰ সৱিশেষ ব্যৱহাৰ কৰি লগইন কৰিব লাগে।

অন্তিম ব্যৱহাৰকৰ্তাৰ বাবে ইউ.পি.আই.ৰ লাভালাভ:

- গোপনীয়তা- কেৱল ভাৰ্চুৱেল পে'মেণ্ট এড্ৰেছহে শ্বেয়াৰ কৰিব অন্য কোনো সংৱেদনশীল তথ্য নহয়
- বহুমুখী উপযোগিতা- কেশ্ব অন ডেলিভাৰী/বিল স্প্লিট শ্বেয়াৰিং/মাৰ্চেণ্ট পে'মেণ্টছ/ধন প্ৰেৰণ
- এফ.এ.লৈ এটা ক্লিক- কেৱল পিন প্ৰবিষ্ট কৰিয়েই অনুমোদিত লেনদেন
- বিভিন্ন ইণ্টাৰফেচত কাম কৰে- ৱেব ইণ্টাৰফেচতে পৰিশোধৰ অনুৰোধ জেনেৰেট কৰে, মোবাইল ইণ্টাৰফেচত (এপ্প) অনুমোদিত
- 24 x 7 তে উপলব্ধ আৰু গ্ৰাহকে নিজৰ ব্যক্তিগত ডিভাইচৰপৰা লেনদেন কৰে।

অতিৰিক্ত তথ্যৰ বাবে, লিংকটো চাওক:
https://www.npci.org.in/product- overview/upi-product-overview

## ইউ.পি.আই. 2.0




ই হৈছে ইউ.পি.আই. ব্যৱস্থাৰ নতুন সংস্কৰণ, যি ব্যৱহাৰকৰ্তাসকলক এটা ইউ.পি.আই. হেণ্ডেলৰ সৈতে নিজৰ অভাৰড্ৰাফ্ট একাউণ্টবোৰৰ যোগসূত্ৰ স্থাপন কৰাত সক্ষম কৰে।

নিৰ্দিষ্ট মাৰ্চেণ্টৰ বাবে এটা নিৰ্দেশনা জাৰি কৰি আগতীয়াকৈ অনুমোদন জনোৱা লেনদেন কৰিবৰ বাবেও ব্যৱহাৰকৰ্তাসকল সক্ষম হয়।

ইউ.পি.আই. 2.0 সংস্কৰণটোত লেনদেনসমূহৰ ৰচিদ চোৱা আৰু মজুত কৰা এটা সুবিধাও অন্তৰ্ভুক্ত কৰা হৈছে।

# মডিউল 4 বীমা

এটা দুৰ্ঘটনা বা গুৰুতৰ অসুখৰ বাবে কোনেও পৰিকল্পনা কৰিব নোৱাৰে। আপোনাৰ সৈতে এনেবোৰ ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা বহুত কম হ'ব পাৰে। গতিকে ইমানবোৰ মানুহে ক্ৰয় কৰিবলগীয়া বীমাখন স্থগিত ৰাখিব নেকি। কিন্তু দুৰ্ঘটনাটো সংঘটিত হয়েই। কেৱল ঘটনাটো সংঘটিত হ'লেহে আমি উপলব্ধি কৰোঁ যে সুৰক্ষাৰ বাবে আমি বীমা কভাৰ ল'ব লাগিছিল। বীমা হৈছে আৰ্থিক ক্ষতিৰপৰা আৰু এটা আকস্মিক বা অনিশ্চিত ক্ষতিৰ আশংকাৰপৰা ৰক্ষা পোৱাৰ এটা ব্যৱস্থা।




বীমাক প্ৰধানকৈ দুটা শ্ৰেণীত ভাগ কৰিব পাৰি:

1. জীৱন বীমা
2. সাধাৰণ বীমা

## 1. জীৱন বীমা

জীৱন বীমাই আপোনাৰ মৃত্যু হ'লে আপোনাৰ হিতাধিকাৰীজনক এটা আৰ্থিক সাহায্য প্ৰদান কৰে। আপুনি এখন জীৱন বীমা পলিচী ক্ৰয় কৰোঁতে তাত আপুনি এগৰাকী হিতাধিকাৰীৰ নাম দিয়ে। আপোনাৰ পৰিয়ালটোক ৰক্ষা কৰিবৰ বাবে সাধাৰণতে নিজৰ বাৰ্ষিক আয়ৰ 7ৰপৰা 10 গুণ মূল্যৰ কভাৰেজ থকা এটা বীমা ক্ৰয় কৰিবলৈ কোৱা হয়।

### জীৱন বীমাৰ প্ৰকাৰসমূহ

**টাৰ্ম ইঞ্চুৰেঞ্চ:** ই এছোৱা নিৰ্দিষ্ট সময়ৰ বাবে সক্ৰিয় হৈ থকাৰ লগতে পলিচী কালছোৱাৰ ভিতৰত সংঘটিত হোৱা আপোনাৰ জীৱনৰ সৈতে জড়িত দুৰ্ভাগ্যজনক ঘটনাৰ পৰিপ্ৰেক্ষিতত, আপোনাৰ মনোনীতসকলে 'বীমাকৃত ধনৰাশি' লাভ কৰিব। ইয়াত কোনো প্ৰিমিয়াম ঘূৰাই দিয়া নহ'লেও আশংকাৰপৰা সৰ্বোত্তম উপশম প্ৰদান কৰে।

**এনডৌমেণ্ট ইঞ্চুৰেঞ্চ:** এটা নিৰ্দিষ্ট কালৰ পিছত বা মৃত্যু হ'লে এক সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ ৰূপাংকণ কৰা এক জীৱন বীমা চুক্তি। ইয়াৰ প্ৰধান মেছিউৰিটী কালবোৰ হৈছে এক নিৰ্দিষ্ট বয়সলৈকে দহ, পোন্ধৰ বা বিশ বছৰ।

**হোল লাইফ:** এক শ্ৰেণীৰ স্থায়ী জীৱন বীমা যি আপুনি যিমান দিনলৈকে প্ৰিমিয়াম পৰিশোধ কৰি থাকে তেতিয়ালৈকে কাৰ্যকৰী হৈ থাকে।

**ইউনিট লিংকড ইঞ্চুৰেঞ্চ:** বীমা আৰু বিনিয়োগ মাধ্যমৰ এটা সংমিশ্ৰণ, পলিচীধাৰকে পৰিশোধ কৰা প্ৰিমিয়ামৰ এটা অংশ বীমা কভাৰেজ প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰা হয় আৰু অৱশিষ্ট অংশটো ইকুইটী আৰু ঋণ পত্ৰত বিনিয়োগ কৰা হয়

## 2. সাধাৰণ বীমা

এই প্ৰডাক্টবোৰত ব্যক্তিৰ জীৱনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নথকা পলিচীবোৰ অন্তৰ্ভুক্ত থাকে। এনেধৰণৰ পলিচীবোৰে পলিচী ধাৰকৰ সা-সম্পত্তিৰ দায়িত্ব লৈ বীমা কৰে।

### i) স্বাস্থ্য বীমা



বিগত দিনবোৰত চিকিৎসাজনিত ব্যয় বহুগুণে বৃদ্ধি পাইছে। আপুনি কেনেকুৱা ঠাইত বাস কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি যিকোনো ঠাইতে চিকিৎসকক সাধাৰণভাৱে দেখা কৰিবলৈ যোৱাৰ খৰচ 300 ৰপৰা 3000 টকাৰ ভিতৰত। যদিহে আপোনাৰ চিকিৎসাৰ বাবে আপুনি কেইদিনমান চিকিৎসালয়ত থাকিবলগীয়া হয়, ওলাই আহোঁতে আপুনি এখন ডাঙৰ মেডিকেল বিল পৰিশোধ কৰিব লাগিব যি আপোনাৰ সঞ্চয়ৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। এনেধৰণৰ আৰ্থিক সংকট এৰাই চলিবৰ বাবে, আমি নিজকে বীমা কৰাব লাগে। প্ৰতিটো বীমা কোম্পানীয়েই একোখন চিকিৎসা বীমা আঁচনি আগবঢ়ায় যি চিকিৎসালয়ত ভৰ্তি হোৱা ব্যয়ৰ জোৰা মাৰি প্ৰাথমিক চিকিৎসা ব্যৱস্থাখিনি সামৰি লয়।

### ii) অ-স্বাস্থ্য বীমা




### a) যান-বাহন/গাড়ী বীমা

যান-বাহন বীমা (মটৰ ইঞ্চুৰেঞ্চ/কাৰ ইঞ্চুৰেঞ্চ/অটো ইঞ্চুৰেঞ্চ বুলিও কোৱা হয়) ৰাস্তাত চলি থকা যান-বাহনৰ বাবে ক্ৰয় কৰা এবিধ ইঞ্চুৰেঞ্চ। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে যান-বাহনৰ যিকোনো আইনসঙ্গত দায়বদ্ধতা আৰু/বা দুৰ্ঘটনাজনিত ক্ষয়-ক্ষতিৰ আশংকাৰ বিপৰীতে বাহনৰ মালিকসকলক সুৰক্ষা প্ৰদান কৰা। যান-বাহন বীমাৰ কভাৰেজ দুই প্ৰকাৰৰ:

**মটৰ থাৰ্ড পাৰ্টি (টি.পি) লায়েবিলিটি ইঞ্চুৰেঞ্চ:** থাৰ্ড পাৰ্টি ইঞ্চুৰেঞ্চ হৈছে এটা বিধিবদ্ধ প্ৰয়োজনীয়তা আৰু ৰাস্তাত চলাচল কৰি থকা প্ৰত্যেকখন বাহনেই এই বীমা লোৱাটো বাধ্যতামূলক। এক ৰাজহুৱা স্থানত বাহনখনৰ কাৰণে বা তাৰ ব্যৱহাৰৰপৰা উদ্ভৱ হোৱা তৃতীয় পক্ষৰ জীৱন বা সম্পত্তিত লগা আঘাত বা ক্ষয়-ক্ষতিৰ বাবে বাহনখনৰ মালিক আইনগতভাৱে দায়বদ্ধ। এখন ৰাজহুৱা স্থানত ইঞ্চুৰেঞ্চ নথকাকৈ এখন গাড়ী চলোৱাটো দণ্ডনীয় অপৰাধ। ইঞ্চুৰেঞ্চ পলিচীখনে এটা দুৰ্ঘটনাৰ ফলত কোনো লোকৰ সা-সম্পত্তিত হোৱা ক্ষয়-ক্ষতি বা অন্য লোকৰ আঘাত নাইবা মৃত্যুৰ ক্ষতি পূৰণ কৰে যাৰ বাবে বীমাধাৰকক আইনগতভাৱে দায়বদ্ধ বুলি ঘোষণা কৰা হয়।

**মটৰ অওন ডেমেজ (অ'.ডি) ইঞ্চুৰেঞ্চ কভাৰ:** ই বীমা কৰা বাহনখনৰ কাৰণে হোৱা দুৰ্ঘটনাজনিত ক্ষয়-ক্ষতি পূৰণ কৰে।

ওপৰৰ কভাৰবোৰৰ যিকোনো এটা বা উভয়কে সামৰি লোৱা কেতবোৰ পলিচী আছে। কি সামৰি লৈছে তাক বুজি পাবৰ বাবে আপোনাৰ পলিচীখন পৰীক্ষা কৰি চোৱাটো জৰুৰী।

## b) সম্পত্তিৰ বীমা

**সম্পত্তিৰ বীমা** হৈছে সাধাৰণ বীমাৰ এটা বৃহৎ শ্ৰেণী আৰু আপুনি সামৰি ল'ব খোজা সম্পত্তিৰ শ্ৰেণীটোৰ ওপৰত নিৰ্ভৰ কৰি আপোনাক প্ৰয়োজন হোৱা একপ্ৰকাৰৰ কভাৰ। অতি জনপ্ৰিয় সম্পত্তিৰ বীমাটো হৈছে সাধাৰণ অগ্নি বীমা পলিচী আৰু ই জুই আৰু তেনেধৰণৰ বিপদৰপৰা বীমা সুৰক্ষা প্ৰদান কৰে, যেনে- বানপানী, জলপ্লৱ, ঘূৰ্ণীবতাহ, বা-মাৰলী আদি। এখন অগ্নি বীমা পলিচীৰ অধীনত সামৰি ল'ব পৰা বিভিন্ন ধৰণৰ সম্পত্তিবোৰ হৈছে বাসগৃহ, কাৰ্যালয়, দোকান, চিকিৎসালয়, ঔদ্যোগিক/নিৰ্মাণজনিত আশংকা আৰু যন্ত্ৰ-পাতি, কল-কাৰখানা, সা-সৰঞ্জামৰ দৰে বস্তুবোৰ; বিভিন্ন সামগ্ৰীৰ ভিতৰত আছে কেঁচামাল, প্ৰচেছত থকা সামগ্ৰী, ঔদ্যোগিক চৌহদৰ বাহিৰত থকা মজুতভাণ্ডাৰৰ দায়িত্ব; ঔদ্যোগিক চৌহদৰ বাহিৰত অৱস্থিত টেংক ফাৰ্ম/গেছ হ'ল্ডাৰ আদিবোৰ

গৃহ/গৃহস্বামীৰ বীমা হৈছে জৰুৰী কিয়নো ই ব্যক্তিৰ ঘৰটোৰ বাবে সম্পূৰ্ণ বীমা সুৰক্ষাৰ পেকেজ প্ৰদান কৰে।

সেইদৰে, শ্বপকীপাৰ্চ পেকেজ পলিচী ডিজাইন কৰা হৈছে বৃহৎ সংখ্যক দোকানীৰ সকলোবোৰ বীমাযোগ্য সামগ্ৰী বীমা কৰিবৰ বাবে। ই জুই, ভূমিকম্প, বজ্ৰপাত, বানপানী, চুৰিকাৰ্য আদিৰ দৰে বিভিন্ন ধৰণৰ আকস্মিক ঘটনাৰপৰা ব্যাপক সুৰক্ষা প্ৰদান কৰে। এই পলিচীয়ে বিল্ডিং, ইয়াৰ বয়-বস্তু, দোকানত থকা টকা-পইচা আদিৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰে।

## c) অন্যান্য বীমাসমূহ

### ভ্ৰমণ বীমা

সৰ্বাত্মক ভ্ৰমণ বীমাত আগবঢ়োৱা হয়:

- ❖ জৰুৰীকালীন চিকিৎসা সাহায্য
- ❖ যাত্ৰাটো অভাৱনীয়ৰূপে বাতিল কৰা বা চমু কৰিবলগীয়া হোৱাৰ বাবে সৃষ্টি হোৱা ক্ষয়-ক্ষতি
- ❖ মৃত্যু আৰু বিকলাংগতাৰ ক্ষতিপূৰণ
- ❖ ব্যক্তিগত দেনাৰ ক্ষতিপূৰণ
- ❖ বয়-বস্তুৰ ক্ষতিপূৰণ

**গ্ৰুপ ইঞ্চুৰেঞ্চ**

ই এক সুনিৰ্দিষ্ট জনসমষ্টিক সামৰি লয়, যেনে এখন সমিতি বা বৃত্তিধাৰী সংস্থাৰ সদস্যবৰ্গ, বা এক নিৰ্দিষ্ট নিয়োগকৰ্তাৰ কৰ্মচাৰীসকল

**শস্য বীমা**

ই খৰাং, বানপানী, অন্য প্ৰাকৃতিক দুৰ্যোগ আৰু কীট-পতঙ্গ সংক্ৰমণ আদিৰ বাবে হোৱা শস্যৰ হানি-বিঘিনিৰ পৰিপ্ৰেক্ষিতত কৃষকসকলক বীমা ক্ষতিপূৰণ প্ৰদান কৰে

## ভাৰত চৰকাৰৰ বীমা আঁচনিসমূহৰ কেতবোৰ উদাহৰণ

**প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (পি.এম.এছ.বি.ৱাই)**

- ❖ 18 ৰপৰা 70 বছৰৰ ভিতৰৰ বেংক একাউণ্ট ধাৰকসকলক 2 লাখ টকা পৰ্যন্ত দুৰ্ঘটনাজনিত বীমা ক্ষতিপূৰণ প্ৰদান কৰে
- ❖ অটো-ডেবিট ব্যৱস্থাৰ জৰিয়তে বেংক একাউণ্টৰপৰা 12/- টকাৰ এটা নিৰ্ধাৰিত বাৰ্ষিক প্ৰিমিয়াম বিয়োগ কৰা হয়
- ❖ ব্যক্তিয়ে কেৱল এটা ছেভিংছ বেংক একাউণ্টৰ জৰিয়তে এই আঁচনিখনত যোগদানৰ যোগ্যতা অৰ্জন কৰিব
- ❖ এই বীমাই দুৰ্ঘটনাৰ বাবে হোৱা স্থায়ী আৰু আংশিক বিকলাংগতা সামৰি লয় (https://financialservices.gov.in/insurance-divisions)

**প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (পি.এম.জে.এ.ৱাই) - আয়ুষ্মান ভাৰত**

- ❖ দৰিদ্ৰ, বঞ্চিত গ্ৰামীণ আৰু চহৰৰ মজদুৰ পৰিয়ালবোৰৰ চিহ্নিত বৃত্তিধাৰী শ্ৰেণীটোক লক্ষ্য কৰি স্বাস্থ্য সেৱাৰ সুবিধা আগবঢ়ায়
- ❖ পৰিয়ালৰ সদস্য সংখ্যা, বয়স আৰু লিঙ্গৰ ওপৰত কোনো বাধা-নিষেধ নাই
- ❖ চিকিৎসালয়ত ভৰ্তি হ'লে চিকিৎসাৰ বাবে পৰিয়ালটোৱে কোনো ধন পৰিশোধ কৰিব নালাগে (https://www.pmjay.gov.in)

**প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (পি.এম.এফ.বি.ৱাই)**

- ❖ বীমাৰ জৰিয়তে শস্য নষ্ট হোৱাৰপৰা কৃষকসকলক ৰক্ষা কৰাৰ উদ্দেশ্যেৰে লোৱা শস্য বীমা আঁচনি
- ❖ এই আঁচনিখনত ব্যাপক পৰিমাণৰ বাহ্যিক আশংকাৰ বিৰুদ্ধে কৃষকসকলৰ বীমা কৰা হয় – যেনে অনাবৃষ্টি, খৰাং কাল, বানপানী, জলপ্লৱ, পোক-পতঙ্গ আৰু ৰোগ, বনজুই আৰু বজ্ৰপাত, শিলাবৃষ্টি, ঘূৰ্ণীবতাহ, বা-মাৰলী আদি।
- ❖ এই আঁচনিয়ে 14 দিনলৈকে শস্য চৰোৱাৰ পিছৰ ক্ষয়-ক্ষতি সামৰি লয় (https://pmfby.gov.in)

**প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (পি.এম.জে.জে.বি.ৱাই)**

- ❖ 18 ৰপৰা 50 বছৰৰ ভিতৰৰ বেংক একাউণ্ট ধাৰকসকলক (ছেভিংছ বেংক একাউণ্ট) 2 লাখ টকাৰ জীৱন বীমা কভাৰ প্ৰদান কৰে।
- ❖ অটো-ডেবিট ব্যৱস্থাৰ জৰিয়তে বেংক একাউণ্টৰপৰা 330/- টকাৰ এটা নিৰ্ধাৰিত বাৰ্ষিক প্ৰিমিয়াম বিয়োগ কৰা হয় (https://financialservices.gov.in/insurance-divisions)

## এটা দাবী উত্থাপন

এটা দুৰ্যোগ হ'লেই, যেনে আপোনাৰ বাইকখন চুৰি হ'লে বা এটা দুৰ্ঘটনা হ'লে, সেয়াই এটা দাবী উত্থাপন কৰাৰ সময়।

আপুনি যেতিয়া এটা দাবী উত্থাপন কৰে, তেতিয়া আপোনাৰ বীমা পলিচীখনৰ চৰ্তাৱলীৰ অধীনত, আপোনাৰ যিখিনি ক্ষতি হ'ল তাৰ বাবদ ধন পৰিশোধ কৰিবৰ বাবে বীমা কোম্পানীটোক আনুষ্ঠানিকভাৱে অনুৰোধ কৰে।

তাৰ বাবে যিমান পাৰে সোনকালে আপোনাৰ বীমা দালাল, প্ৰতিনিধি বা কোম্পানীৰ সৈতে যোগাযোগ কৰিব। কাৰণ অধিকাংশ কোম্পানীৰে কিছুমান সময়সীমা থাকে যাৰ ভিতৰত আপুনি দাবীটো উত্থাপন কৰিব লাগিব। তাৰোপৰি আপোনাৰ দাবীটো উত্থাপন কৰাৰ সময়ত প্ৰয়োজনীয় সকলো সমৰ্থিত নথি-পত্ৰ দাখিল কৰিবলৈ নাপাহৰিব

# মডিউল 5

# বিনিয়োগ

বিনিয়োগ কার্য এক লাভদায়ক কাম হ'ব পাৰে যি আপোনাৰ বিত্তীয় লক্ষ্যত উপনীত হোৱাত সহায় কৰিব পাৰে; তথাপিও, বিনিয়োগ কাৰ্য জটিল হোৱাৰ লগতে ইয়াৰ সৈতে প্ৰায়েই কেতবোৰ বিপদাশংকা জড়িত থাকে। যথোপযুক্ত জ্ঞান লাভ কৰি, আপোনাৰ বাবে সুবিধাজনক জটিলতা তথা বিপদাশংকাৰ মাত্ৰা আপুনি বাচি ল'ব পাৰে।

## মূল কাৰকসমূহ

প্ৰতিটো বিনিয়োগ, ৰিটাৰ্ণ, আশংকা আৰু লিকুইডিটীৰ সন্দৰ্ভত অন্ততঃ তিনিটা মূল কাৰক আপুনি জানিব লাগিব।




**লাভ** ৰিটাৰ্ণ হৈছে এটা বিনিয়োগৰ ওপৰত এজন বিনিয়োগকৰ্তাই কৰা লাভ। ইয়াৰ দুটা বেলেগ ৰূপ থাকিব পাৰে: আয় বা মূলধনী লাভ।

**ৰিস্ক** (আশংকা) মানে হৈছে অনিশ্চয়তা। আপোনাৰ বিনিয়োগবোৰে অধিক লাভ দিব নে আপোনাৰ ধনথিনি আপুনি হেৰুৱাব সেই বিষয়ে আপুনি নিশ্চিত নহয়। ৰিস্ক আৰু ৰিটাৰ্ণ দুয়োটা হাতত হাত ধৰি আগবাঢ়ে, যাৰ অৰ্থ হৈছে আপোনাৰ বিনিয়োগসমূহৰ ওপৰত অধিক লাভ অৰ্জন কৰিবলৈ যাওঁতে আপুনি অধিক আশংকাৰ ওচৰ চাপি যায়।






**লিকুইডিটী** হৈছে ক্ষিপ্ৰ গতিত বা চলিত বজাৰ মূল্যৰ ওচৰে-পাজৰে এটা বিনিয়োগ নগদ ধনলৈ ৰূপান্তৰ বা বিক্ৰী কৰাৰ সামৰ্থতা। ই এটা বিনিয়োগৰ মূল্যত প্ৰভাৱ পেলায়। তালিকাভুক্ত ষ্টক আৰু চৰকাৰী ব'ণ্ডবোৰ হৈছে লিকুইড, কাৰণ আপুনি এইবোৰ সচৰাচৰতে সহজেই বিক্ৰী কৰিব পাৰে।

## বিনিয়োগৰ লক্ষ্যসমূহ

আপোনাৰ বিনিয়োগৰ লক্ষ্যসমূহ নিৰ্ভৰ কৰে আপুনি জীৱনৰ কোনটো পৰ্যায়ত আছে (শিক্ষাৰ্থী, কৰ্মচাৰী, অৱসৰপ্ৰাপ্ত আদি) তাৰ ওপৰত। আপোনাৰ বিনিয়োগৰ লক্ষ্যসমূহ অন্য লোকতকৈ পৃথক হ'ব, আৰু আপোনাৰ জীৱন পথত আগবাঢ়ি যোৱাৰ লগে লগে আপোনাৰ লক্ষ্যবোৰো সলনি হ'ব। সাধাৰণতে, একে সময়তে আপোনাৰ বিভিন্ন লক্ষ্য থাকে। আপুনি হয়তো নিজৰ ধনৰাশিৰ ক্ষেত্ৰত দীৰ্ঘকালীন বৃদ্ধিৰ লগতে জৰুৰীকালীন পৰিস্থিতিসমূহৰ বাবে এটা নিৰাপদ তথা নমনীয় পুঁজি বিচাৰিব পাৰে। প্ৰতিটো পৰিয়ালৰ বিভিন্ন ধৰণৰ উদ্দেশ্য থাকিব, আৰু প্ৰত্যেকৰে বাবে এটা সুকীয়া বিনিয়োগ ব্যৱস্থাৰ প্ৰয়োজন হ'ব।

ব্যক্তিগত কাৰকসমূহে কেনেকৈ বিনিয়োগ বিকল্পসমূহৰ ওপৰত প্ৰভাৱ পেলায় তাক লক্ষ্য কৰাৰ এটা সহজ উপায় হৈছে আপোনাৰ জীৱন দশা, আপোনাৰ জীৱনৰ যিটো পৰ্যায়ত আপুনি আছে সেই বিষয়ে চিন্তা কৰা।

### পৰ্যায় ১



আপুনি যদি যুৱক, আপুনি অধিক ৰিস্ক ল'বলৈ ইচ্ছা কৰিব পাৰে কাৰণ আপুনি দীঘলীয়া সময়ৰ বাবে পৰিকল্পনা কৰি আছে। যদিহে আপোনাৰ বিনিয়োগসমূহৰ মূল্য কমি যায়, তেন্তে পুনৰুদ্ধাৰ কৰিবৰ বাবে আপোনাৰ হাতত সময় থাকিব আৰু এটা দীঘলীয়া সময়ৰ পিছত আপোনাৰ বিনিয়োগবোৰ বাঢ়িবও পাৰে।

### পৰ্যায় ২



আপুনি যদি নতুনকৈ পৰিয়াল আৰম্ভ কৰিছে, তেন্তে আপুনি নিৰাপত্তা পোৱাটো বিচাৰিব। আপুনি এতিয়াও দীঘলীয়া সময়ৰ বাবে পৰিকল্পনা কৰিব পাৰে, কিন্তু আপুনি হ্ৰস্বকালীন সঞ্চয় আৰু জৰুৰীকালীন পৰিস্থিতিৰ লগতে পৰিয়ালৰ বাবে এটা ঘৰ ক্ৰয় কৰাৰ দৰে প্ৰয়োজনীয়তাৰ বাবে আপোনাৰ টকা-পইচাৰ এটা সামান্য অংশ হাতত ৰাখিব লাগিব।

### পৰ্যায় ৩



যদিহে আপোনাৰ পৰিয়ালটো অধিক স্বনিৰ্ভৰশীল হৈ উঠিছে, তেন্তে হ্ৰস্বকালীন সঞ্চয়ৰ বাবে আপোনাক কম টকাৰ প্ৰয়োজন হ'ব পাৰে, আৰু আপোনাৰ অৱসৰৰ বাবে আপুনি হয়তো অধিক টকা জমা কৰিবলৈ সক্ষম হ'ব। বিনিয়োগৰ বাবে হাতত পৰ্যাপ্ত নগদ টকাৰে আপুনি হয়তো নিজৰ উপাৰ্জনৰ শীৰ্ষৰ দিনবোৰত থাকিব পাৰে, কিন্তু নিজৰ টকা-পইচা যিকোনো আশংকাজনক কামত বিনিয়োগ কৰিবলৈ অনিচ্ছুক।

### পৰ্যায় ৪



আপুনি অৱসৰ লোৱাৰ পিছত, আপোনাৰ ৰাজহুৱা বা ব্যক্তিগত পেন্সনৰ দৰে ভাট্টাসমূহত সংযোজন কৰিবৰ বাবে এটা নিয়মীয়া, নিৰ্ভৰযোগ্য উপাৰ্জন লাভ কৰিবলৈ আপুনি নিজৰ বিনিয়োগসমূহৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে।

## মুদ্ৰাস্ফীতি আৰু বিনিয়োগৰ ওপৰত ইয়াৰ প্ৰভাৱ

মুদ্ৰাস্ফীতি মানে হৈছে পণ্যসামগ্ৰী আৰু সেৱাৰ মূল্যত হোৱা বৃদ্ধি। সময়ৰ লগে লগে, যিদৰে পণ্যসামগ্ৰী আৰু সেৱাৰ খৰচ বৃদ্ধি পাইছে, ঠিক সেইদৰে পণ্যসামগ্ৰী আৰু সেৱা ক্ৰয় কৰাৰ ক্ষেত্ৰত মুদ্ৰাৰ এটা এককৰ ক্ষমতা, যেনে ধৰক এটকা বা 100 টকা, নিম্নগামী হৈ আহিছে। অৰ্থাৎ, মুদ্ৰাৰ ক্ৰয় ক্ষমতা হ্ৰাস পাইছে। বিত্তীয় পৰিকল্পনা যুগুতোৱাৰ সময়ত আপোনাৰ বিনিয়োগসমূহৰ ওপৰত মুদ্ৰাস্ফীতিৰ প্ৰভাৱসমূহ বিবেচনালৈ অনাটো জৰুৰী।

**মুদ্ৰাস্ফীতিয়ে মোৰ বিনিয়োগৰ সিদ্ধান্তক কেনেকৈ প্ৰভাৱিত কৰে?**
পাঁচ বছৰৰ পূৰ্বে এটা বড়াপাওৰ দাম আছিল 5/- টকা, এতিয়া দাম 10/- টকা। এই মূল্য বৃদ্ধি অধিক পৰিমাণ বা উন্নত মানৰ বাবে হোৱা নাই, বৰং ইয়াৰ উপাদানসমূহৰ মূল্যত মুদ্ৰাস্ফীতিয়ে পেলোৱা প্ৰভাৱৰ বাবেহে হৈছে।

**মুদ্ৰাৰ সময় মূল্য:** সময়ৰ লগে লগে মুদ্ৰাৰ মূল্য পৰিৱৰ্তিত হোৱাটোৱে মুদ্ৰাৰ সময় মূল্যৰ ধাৰণাটো মনলৈ আনে। মুদ্ৰাৰ সম্ভাৱনাপূৰ্ণ সামৰ্থতাৰ বাবে বৰ্তমানে হাতত থকা টকা-পইচাৰ মূল্য ভৱিষ্যতৰ একে সমান পৰিমাণৰ টকা-পইচাৰ মূল্যতকৈ অধিক হয়



**বিভিন্নতা** আপোনাৰ সকলোবোৰ কণী একেটা খৰাহীতে থোৱাটো কেতিয়াও ভাল



কথা নহয়। যদিহে আপোনাৰ ধনখিনি বিভিন্ন ধৰণৰ বিনিয়োগত লগায় আৰু এটা বা দুটাত লোকচানো হয়, তেন্তে আপোনাৰ বিনিয়োগসমূহৰ মাজত সন্তুলন ৰক্ষা কৰাৰ ক্ষেত্ৰত আনবোৰে লাভ কৰিব পাৰে। ইয়াকে বিভিন্নতা বুলি কোৱা হয়। ই হৈছে আপুনি বিনিয়োগ কৰাৰ সময়ত আশংকা হ্ৰাস কৰাৰ এটা উপায়।

## প্ৰতিভূতি বজাৰত বিনিয়োগ

প্ৰতিভূতিসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি: সমাংশ আৰু দেনা। প্ৰতিভূতিসমূহ প্ৰতিভূতি বজাৰখনত বিক্ৰী কৰা হয়

**প্ৰাইমেৰী মাৰ্কেট:** কোম্পানীয়ে প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষভাৱে প্ৰতিভূতিসমূহ জাৰি কৰে, যেনে আই.পি.অ' (ইনিছিয়েল পাব্লিক অ'ফাৰ)
**ছেকণ্ডাৰী মাৰ্কেট:** ষ্টক বিনিময় কেন্দ্ৰবোৰত প্ৰতিভূতিসমূহৰ কিনা-বেচা হয়, যেনে বি.এছ.ই, এন.এছ.ই আদি।

## আপোনাৰ গ্ৰাহকৰ বিষয়ে জানক (কে.ৱাই.চি):

সকলো প্ৰতিভূতি বজাৰ বিনিয়োগকাৰীৰ বাবে ছেবিয়ে নিৰ্দিষ্ট কেৱাইচি (আপোনাৰ গ্ৰাহকৰ বিষয়ে জানক) জাৰি কৰিছে। ছেবিয়ে প্ৰযুক্তিগত নতুনত্বসমূহৰ ব্যৱহাৰত অনুমতি দিছে যিবোৰে অনলাইন কে.ৱাই.চি (ই-কে.ৱাই.চি) সহজ কৰি তুলিব পাৰে। প্ৰযুক্তিৰ ব্যৱহাৰে মধ্যস্থতাকাৰীৰ কাৰ্যালয়ত কায়িকভাৱে উপস্থিত থকাৰ প্ৰয়োজনীয়তা অবিহনেই কে.ৱাই.চি পূৰণ কৰা কামটো বিনিয়োগকাৰীৰ বাবে সহজ কৰি তুলিব।

## ইকুইটী বা সমাংশ

সমাংশ হৈছে এটা কোম্পানীৰ এটা অংশ, যাক ষ্টক বা শ্বেয়াৰ বুলিও জনা যায়। আপুনি যেতিয়া এটা কোম্পানীৰ শ্বেয়াৰ ক্ৰয় কৰে, আপুনি প্ৰধানকৈ সেই কোম্পানীটোৰ এটা অংশ ক্ৰয় কৰে আৰু কোম্পানীটোৱে লাভ অৰ্জন কৰিলে লাভৰ এটা অংশ আশা কৰিব পাৰে। ৰাজহুৱা/তালিকাভুক্ত কোম্পানীবোৰৰ ক্ষেত্ৰত, এই শ্বেয়াৰবোৰ ষ্টকবোৰৰ ক্ৰয় আৰু বিক্ৰয় কাৰ্য সহজ কৰি তোলা এখন বজাৰ আগবঢ়োৱা ষ্টক বিনিময় কেন্দ্ৰবোৰত কিনা-বেচা কৰা হয়। ইকুইটীবোৰত বিনিয়োগ কৰাৰ আশংকা অধিক আৰু আন আন বিনিয়োগতকৈ নিশ্চিতভাৱে বেছ সময় বিচাৰে।

## দেনা প্ৰতিভূতিসমূহ

দেনা প্ৰতিভূতিবোৰ এক নিৰ্ধাৰিত ধনৰাশি, এটা মেছিউৰিটী তাৰিখ আৰু সচৰাচৰতে এটা নিৰ্দিষ্ট দৰৰ সূদৰ হাৰ থকা ব'ণ্ড, ঋণপত্ৰ, প্ৰতিশ্ৰুতি পত্ৰ আদিৰ দৰে কিছুমান লেখপত্ৰ। এইবোৰত বিনিয়োগ কৰাৰ আশংকা ইকুইটীবোৰতকৈ প্ৰায়ে কম। যেতিয়া এটা কোম্পানী বা চৰকাৰী এজেন্সীয়ে এটা ঋণ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে, ইয়াৰ হাতত দুটা উপায় থাকে। প্ৰথমটো হৈছে এটা বেংকৰপৰা বিত্তযোগান লাভ কৰা, দ্বিতীয়টো হৈছে মূলধনী বজাৰসমূহত বিনিয়োগকাৰী সকলৰ বাবে দেনা জাৰি কৰা। ইয়াকেই দেনা জাৰি কৰা বুলি কোৱা হয়

## মিউচুৱেল ফাণ্ডসমূহ

এটা মিউচুৱেল ফাণ্ডে বহু বিনিয়োগকাৰীৰ পৰা ধন জমা কৰি ষ্টক, ব'ণ্ড, হ্ৰস্বকালীন মুদ্ৰা-বজাৰ মাধ্যম, অন্য প্ৰতিভূতি আৰু সম্পত্তি বা এই বিনিয়োগসমূহৰ কিছু সংমিশ্ৰণত বিনিয়োগ কৰে। মিউচুৱেল ফাণ্ডৰ অধীনস্থ সংযুক্ত সম্পত্তি বোৰক ইয়াৰ পোৰ্টফলিঅ' বুলি জনা যায়। ইয়াৰ প্ৰতিটো ইউনিটে এগৰাকী বিনিয়োগকাৰীৰ ফাণ্ডৰ সম্পত্তিবোৰৰ সমানুপাতিক মালিকীস্বত্ব আৰু সেই সম্পত্তিবোৰৰ পৰা সৃষ্টি হোৱা আয়ৰ প্ৰতিনিধিত্ব কৰে।

**ছিষ্টেমেটিক ইনভেষ্টমেণ্ট প্লেন (এছ.আই.পি):** যেতিয়া এক নিৰ্দিষ্ট ধনৰাশি এক নিৰ্ধাৰিত কালৰ ব্যৱধানত এটা মিউচুৱেল ফাণ্ডত বিনিয়োগ কৰা হয়, ইয়াক এছ.আই.পি বোলা হয়, যিটো এতিয়া অতি প্ৰচলিত ভৱিষ্যতৰ বিনিয়োগ আঁচনি হৈ পৰিছে।

**ইকুইটী লিংকড ছেভিংছ স্কীমছ (ই.এল.এছ.এছ):** এইবোৰ হৈছে মিউচুৱেল ফাণ্ড বিনিয়োগ আঁচনি যি আয়কৰ ৰাহি কৰাত আপোনাক সহায় কৰে (কৰদাতাসকলক কেতবোৰ নিৰ্দিষ্ট প্ৰতিভূতিত 1.5 লাখ টকালৈকে বিনিয়োগ কৰাৰ লগতে তেওঁলোকৰ কৰৰ অধীন আয়ৰপৰা বিয়োগ কৰিবলৈ দাবী কৰাৰ সুবিধা দিয়ে)।
**গ'ল্ড ই.টি.এফ:** গ'ল্ড ই.টি.এফ বা এক্সচেঞ্জ ট্ৰেডেড ফাণ্ড হৈছে এটা পণ্য-আধাৰিত মিউচুৱেল ফাণ্ড যি সোণৰ দৰে সম্পত্তিত বিনিয়োগ কৰে। এই এক্সচেঞ্জ ট্ৰেডেড ফাণ্ডবোৰে ব্যক্তিগত ষ্টকৰ দৰে কাম কৰে আৰু ষ্টক বিনিময় কেন্দ্ৰৰ দৰেই কিনা-বেচা হয়।

## ছ'ভাৰেইন গ'ল্ড ব'ণ্ড (এছ.জি.বি):

এইবোৰ হৈছে সোণৰ গ্ৰামত স্বীকৃত চৰকাৰী প্ৰতিভূতি। এইবোৰ ভৌতিক সোণ হাতত ৰখাৰ বিকল্পস্বৰূপ। বিনিয়োগকাৰীসকলে বিলি মূল্যটো নগদ হিচাপে পৰিশোধ কৰিব লাগিব আৰু ব'ণ্ডবোৰ মেছিউৰিটীত নগদ হিচাপে আদায় দিয়া হ'ব। ব'ণ্ডটো ভাৰত চৰকাৰৰ হৈ ৰিজাৰ্ভ বেংকে জাৰি কৰে।

## ৰীয়েল ইষ্টেট বিনিয়োগ ন্যাস (আৰ.ই.আই.টি):

আৰ.ই.আই.টি.বোৰ হৈছে কেতবোৰ প্ৰতিষ্ঠান যি স্থাৱৰ সম্পত্তিৰ থগুটোত — নিজে কোনো সম্পত্তি ক্ৰয়, প্ৰৱন্ধন বা ফাইনেন্স নকৰাকৈ সম্পত্তি দখল কৰে আৰু সিবিলাকৰ উন্নয়নৰ বাবে বিত্তৰ যোগান ধৰে

## চৰকাৰী আঁচনিসমূহত বিনিয়োগ

- নেশ্যনেল ছেভিংছ চাৰ্টিফিকেট (এন.এছ.চি)
- পোষ্ট অফিচ ছেভিংছ/আৰ.ডি একাউণ্ট
- ৰাজহুৱা ভৱিষ্য নিধি (পি.পি.এফ)
- কিষাণ বিকাশ পত্ৰ (কে.ভি.পি)
- জ্যেষ্ঠ নাগৰিকৰ সঞ্চয় আঁচনি (এছ.চি.এছ.এছ)

- এই আঁচনিবোৰ নিৰাপদ তথা নিৰ্ধাৰিত ৰিটাৰ্ণৰ সন্ধান কৰা বিনিয়োগকাৰীসকলৰ বাবে উপযোগী।
- এই আঁচনিবোৰৰ সূদৰ হাৰসমূহ বিত্ত মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে তিনি মাহৰ মূৰে মূৰে অধিসূচীত কৰি থকা হয়।
- ডাকঘৰৰ আঁচনিবোৰত বিনিয়োগ কৰা সমুদায় ধনৰাশিত অথণ্ড গেৰাণ্টী থাকে, গতিকে এইবোৰক সৰ্বাধিক নিৰাপদ বুলি গণ্য কৰা হয়।
- অতিৰিক্ত তথ্যৰ বাবে এই লিংকটো চাওক: https://www.indiapost.gov.in/Financial/pages/content/post-office-saving-schemes.aspx

**সুকন্যা সমৃদ্ধি যোজনা (এছ.এছ.ৱাই)**


এছ.এছ.ৱাই হৈছে কন্যা শিশুৰ লাভালাভৰ বাবে এখন চৰকাৰ-সমৰ্থিত সঞ্চয় আঁচনি। ইয়াক এগৰাকী 10 বছৰৰ তলৰ কন্যা শিশুৰ পিতৃ-মাতৃয়ে খুলিব পাৰে। বালিকাসকলৰ বাবে পিতৃ-মাতৃয়ে এনেকুৱা দুখনলৈকে একাউণ্ট খুলিব পাৰে (তেওঁলোকৰ যদি দুগৰাকীতকৈ অধিক ছোৱালী থাকে, তেন্তে তৃতীয়/চতুৰ্থ আদি একাউণ্ট খুলিব নোৱাৰিব)। এই একাউণ্টবোৰৰ কাৰ্যকাল হৈছে 21 বছৰ বা 18 বছৰৰ পিছত ছোৱালীজনীৰ বিয়া হোৱালৈকে।

# মডিউল 6 অৱসৰ আৰু পেন্সন

এটা সম্পূৰ্ণ আৰু উৎপাদনশীল কৰ্মজীৱনৰ পিছত, আপুনি এক সুস্থ, সক্ৰিয় তথা নিৰাপদ অৱসৰৰ আশা কৰে। আপুনি লাগিলে সোনকালেই অৱসৰ লওক বা চাকৰিৰ শেষৰ বছৰকেইটাত ভালদৰে কাম কৰক বা নকৰক, জীৱনৰ পৰৱৰ্তী কালত আপুনি নিৰাপদ হ'বনে নাই তাক জানিব খোজে। আপোনাৰ অৱসৰকালৰ বাবে নিজৰ ওচৰত পৰ্যাপ্ত টকা-সিকা থাকিবনে?

আপুনি যদি অধিকাংশ ভাৰতীয়ৰ দৰে হয়, তেন্তে আপোনাৰ যুৱ আৰু মধ্য বয়সটো নিজৰ সময় আৰু বিত্তৰ ওপৰত অজস্ৰ দাবীৰে পৰিপূৰ্ণ: সেইবোৰ হৈছে ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰা, এটা ঘৰ কিনি তাৰ তদাৰক কৰা, উৎসৱ-পাৰ্বন উপভোগ কৰা আদি। আপোনাৰ হয়তো অৱসৰৰ কথা ভাবিবলৈ সময় নাই, বা হয়তো ভৱিষ্যতৰ বাবে এতিয়াই টকা-পইচা আচুতীয়াকৈ ৰখাটো আপোনাৰ বাবে কঠিন।


## অৱসৰকালীন পৰিকল্পনাৰ বাবে মনত ৰাখিবলগীয়া কেইটামান বিষয়




মুদ্ৰাস্ফীতি হৈছে উপভোক্তা পণ্য আৰু সেৱাসমূহৰ বৰ্ধিত মূল্য। ই আপোনাৰ অৱসৰকালীন প্ৰয়োজনীয়তা সমূহ দুই ধৰণে প্ৰবাহিত কৰে। প্ৰথমে আপুনি ক্ৰয় কৰা পণ্যসমূহৰ মূল্য বৃদ্ধি কৰে অৰ্থাৎ একে পৰিমাণৰ পণ্য ক্ৰয় কৰিবৰ বাবে আপুনি অধিক ধন ভৰিবলগীয়া হয়। দ্বিতীয়তে মুদ্ৰাস্ফীতিৰ বাবে আপোনাৰ অৱসৰকালীন সঞ্চয়খিনিয়েও মূল্য হেৰুৱায়। আমি দীৰ্ঘদিন জীয়াই থকাৰ (বৰ্ধিত আয়ুস) আশংকাটো বিচাৰ কৰি চাব লাগে। আমাৰ জীয়াই থকাৰ সম্ভাৱনা 60 বছৰতকৈ বৃদ্ধি পাইছে আৰু সেইবাবে অৱসৰ লোৱাৰ পিছৰ জীৱনটোৰ যত্ন লোৱাৰ লগতে জীৱনৰ একেই মানদণ্ড বৰ্তাই ৰখাৰ স্বাৰ্থত উন্নত ব্যৱস্থাৰ প্ৰয়োজন হয়। আপোনাৰ অৱসৰকালীন পুঁজি জমা কৰাৰ সময়ত এই সকলোবোৰ দিশ বিবেচনা কৰা উচিত।

## নেশ্যনেল পেন্সন ছিষ্টেম

এন.পি.এছ হৈছে বৃদ্ধ বয়সত যেতিয়া মানুহৰ নিয়মীয়া উপাৰ্জনৰ উৎস নাথাকে সেই সময়ছোৱাত বিত্তীয় সুৰক্ষা আৰু সুস্থিৰতা প্ৰদান কৰিবৰ বাবে ভাৰত চৰকাৰে আৰম্ভ কৰা আৰু পি.এফ.আৰ.ডি.এ নিয়ন্ত্ৰণ কৰা এখন সংজ্ঞাবদ্ধ বৰঙণিৰ অৱসৰ আঁচনি। এই আঁচনিখন স্বেচ্ছামূলক আৰু 18ৰপৰা 65 বছৰ বয়সৰ ভিতৰৰ দেশৰ সকলো নাগৰিকৰ বাবে মুক্ত। এন.পি.এছ.ত বৰঙণি দি আপুনি নিজৰ কৰ্মজীৱনত প্ৰণালীবদ্ধভাৱে সঞ্চয় আৰু বিনিয়োগ কৰিব পাৰিব। এই আঁচনিত বৰঙণি দিবৰ বাবে বছৰি ন্যূনতম 500 টকা বিনিয়োগ কৰিব লাগে। আপুনি যেতিয়া অৱসৰ ল'ব, সাধাৰণতে 60 বছৰৰ পিছত, আপোনাৰ ধনৰাশিৰ এটা অংশ মুঠাই পাব আৰু বাকীখিনি মাহেকীয়া ভিত্তিত পেন্সন দিবৰ বাবে আপোনাৰ পচন্দ মতে যিকোনো বাৰ্ষিক বৃত্তিৰ আঁচনিত বিনিয়োগ কৰা হ'ব। এন.পি.এছ.ত আপোনাৰ বিনিয়োগখিনিক, এটা নিৰ্ধাৰিত সীমালৈকে, আয়কৰৰপৰাও ৰেহাই দিয়া হ'ব।




এন.পি.এছ.-এ বিভিন্ন শ্ৰেণীৰ সম্পত্তি একেলগে প্ৰদান কৰে, যেনে সমাংশ, ক'ৰ্পোৰেট দেনা, চৰকাৰী প্ৰতিভূতি আৰু বিকল্প শ্ৰেণীৰ বিনিয়োগ। এইদৰে বিনিয়োগকৰ্তাসকলক তেওঁলোকৰ বিনিয়োগসমূহ ভিন্ন কৰি তোলাত সহায় কৰে। তাৰোপৰি, বিনিয়োগ আৰু সম্পত্তি আৱণ্টনৰ সীমিত অভিজ্ঞতা তথা জ্ঞান থকা বৰঙণিদাতাসকলে তিনিটা জীৱন চক্ৰ নিধিৰ (ৰক্ষণশীল, পৰিমিত আৰু আগ্ৰাসী) যিকোনো এটা বাচি ল'ব পাৰে যাক বৰঙণিদাতাসকলৰ বয়সৰ আধাৰত, পূৰ্ব নিৰ্ধাৰিত পদ্ধতিত সকলো শ্ৰেণীৰ সম্পত্তিৰ মাজত সম্পত্তি বিতৰণৰ দ্বাৰা স্বয়ংক্ৰিয় ভিন্নতাৰ বাবে আগবঢ়োৱা হয়।

উল্লেখিত 3 টা চৰ্তত এন.পি.এছ.ৰপৰা ওলাই যাবলৈ দিয়া হয়:

i) এন.পি.এছ. বৰঙণিদাতাৰ বাৰ্ধক্যৰ আধাৰত
ii) আগতীয়া প্ৰস্থান হিচাপে
iii) এন.পি.এছ. বৰঙণিদাতাৰ মৃত্যু হ'লে।

অধিক তথ্যৰ বাবে পৰিদৰ্শন কৰক https://www.pfrda.org.in

## অটল পেন্সন যোজনা (এ.পি.ৱাই)




অসংগঠিত আৰু থাটিখোৱা দৰিদ্ৰজনৰ বৃদ্ধাৱস্থাৰ উপাৰ্জন সুৰক্ষিত কৰাৰ সন্দৰ্ভত ভাৰত চৰকাৰ উদ্বিগ্ন হোৱাৰ লগতে তেওঁলোকৰ অৱসৰকালৰ বাবে সঞ্চয় কৰিবলৈ তেওঁলোকক উৎসাহিত তথা সক্ষম কৰি তোলাত মনোনিৱেশ কৰিছে। ভাৰতৰ 18 ৰপৰা 40 বছৰ বয়সৰ যিকোনো নাগৰিকে 60 বছৰ বয়সৰ পিছত প্ৰতি মাহে 1000 ৰপৰা 5000 টকাৰ এটা নিশ্চিত ন্যূনতম পেন্সন লাভ কৰিবৰ বাবে এ.পি.ৱাই.ত যোগদান কৰিব পাৰে। এ.পি.ৱাই.ত যোগদান কৰিবলৈ আপোনাৰ এটা ছেভিংছ বেংক একাউণ্ট থাকিব লাগিব। 1000 টকাৰ পেন্সন পাবৰ বাবে 18 বছৰ বয়সত এই আঁচনিত কেৱল 42 টকাৰ অৰিহণা দিলেই


হ'ল। যিহেতু বয়সৰ লগে লগে ইয়াৰ অৰিহণাৰ পৰিমাণো বাঢ়ি যায়, গতিকে এই আঁচনিত কম বয়সতে যোগদান কৰাটো লাভদায়ক।

আপুনি এ.পি.ৱাই.ত যোগদান কৰোঁতে, এটা কথা নিশ্চিত কৰিব যাতে বৃদ্ধকাল অহাৰ সময়ত, আপুনি ইয়াৰ বাবে সাজু হৈ উঠে, কিয়নো 60 বছৰ বয়সত উপনীত হ'লে এই আঁচনিখনে তিনিগুণ লাভ আগবঢ়ায়। ইয়াৰ মাহিলী পেন্সন বৰঙণিদাতাক আজীৱন কালৰ বাবে দিয়া হ'ব, আৰু বৰঙণিদাতাৰ মৃত্যুৰ পিছত পেন্সনৰ সমান ধনৰাশি বৰঙণিদাতাৰ পতি/পত্নীক প্ৰদান কৰা হ'ব আৰু দুয়োজন বৰঙণিদাতা তথা পতি/পত্নী উভয়ৰে মৃত্যুৰ পিছত, বৰঙণিদাতাৰ 60 বছৰ বয়সলৈকে জমা হোৱা পেন্সন কোষটো, বৰঙণিদাতাৰ মনোনীত লোকজনক ঘূৰাই দিয়া হ'ব। বৰঙণিদাতাৰ আগতীয়াকৈ মৃত্যু হ'লে (60 বছৰ হোৱাৰ পূৰ্বেই), বৰঙণিদাতাৰ পতি/পত্নীয়ে বৰঙণিদাতাৰ এ.পি.ৱাই একাউন্টটোত অৰিহণা দিয়াটো অব্যাহত ৰাখিব পাৰে বা এ.পি.ৱাই একাউন্টটোত জমা হোৱা পুঁজিটো উলিয়াই ল'ব পাৰে।
অধিক তথ্যৰ বাবে পৰিদৰ্শন কৰক https://www.pfrda.org.in

## বিভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে পেন্সন আঁচনি

ভাৰত চৰকাৰে বিভিন্ন টাৰ্গেট গ্ৰুপ, যেনে অসংগঠিত খণ্ডৰ শ্ৰমিক, খুচুৰা বিক্ৰেতা আৰু ব্যৱসায়ী (স্ব-নিয়োজিত কৰ্মীসকল) মাটি থকা ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ বাবে কেতবোৰ পেন্সন আঁচনি আৰম্ভ কৰিছে।

### i) প্ৰধানমন্ত্ৰী শ্ৰম যোগী মন-ধন (পি.এম-এছ.ৱাই.এম) যোজনা।




ই হৈছে অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ ক্ষেত্ৰত বৃদ্ধাৱস্থাৰ সুৰক্ষা সুনিশ্চিত কৰা এখন স্বেচ্ছামূলক তথা অৰিহণামূলক পেন্সন আঁচনি।

অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ অধিকাংশই ঘৰত কাম কৰা শ্ৰমিক, ৰাস্তাৰ ফেৰীৱালা, মধ্যাহ্ন-ভোজনৰ কৰ্মী, মুতিয়া, ইটা ভাটাৰ শ্ৰমিক, মুচী, ভঙা-ছিঙা বুটলা, ঘৰুৱা কৰ্মচাৰী, ধুবী, ৰিক্সাচালক, ভূমিহীন মজদুৰ, কৃষি শ্ৰমিক, নিৰ্মাণখণ্ডৰ শ্ৰমিক, বিড়ি কাৰখানাৰ শ্ৰমিক, তাঁতশালৰ কৰ্মী, চমাৰ, দৃশ্য-শ্ৰাব্য মাধ্যমৰ কৰ্মী আৰু তেনেকুৱা কিছুমান অন্য জীৱিকাত জড়িত থাকে যাৰ মাহিলী আয় 15,000/- টকা বা তাতকৈ কম আৰু 18-40 বছৰ বয়সৰ ভিতৰৰ লোক।

পি.এম-এছ.ৱাই.এম.ৰ বৰঙণিদাতাৰ লাভালাভসমূহ:

**(i) ন্যূনতম নিশ্চিত পেন্সন:** পি.এম-এছ.ৱাই.এম.ৰ অধীনৰ প্ৰত্যেক বৰঙণিদাতাই 60 বছৰ বয়সত উপনীত হোৱাৰ পিছত মাহিলী 3000/- টকাৰ ন্যূনতম নিশ্চিত পেন্সন লাভ কৰিব।

**(ii) ফেমিলী পেন্সন:** পেন্সনটো পাই থকাৰ সময়ত যদি বৰঙণিদাতা গৰাকীৰ মৃত্যু হয়, তেন্তে হিতাধিকাৰীজনৰ পতি/পত্নীয়ে পৰিয়ালৰ পেন্সন হিচাপে হিতাধিকাৰীয়ে লাভ কৰা পেন্সনৰ 50% শতাংশ লাভ কৰাৰ অধিকাৰী হ'ব। ফেমিলী পেন্সন কেৱল পতি/পত্নীৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

**(iii) প্ৰস্থান আৰু প্ৰত্যাহাৰ:** যদিহে এগৰাকী হিতাধিকাৰীয়ে নিয়মীয়া অৰিহণা আগবঢ়াই থাকে আৰু যিকোনো কাৰণত মৃত্যুবৰণ কৰে (60 বছৰ হোৱাৰ পূৰ্বে), তেওঁৰ পৰি/পত্নীয়ে নিয়মীয়া অৰিহণা পৰিশোধ কৰি পৰৱৰ্তী পৰ্যায়ত আঁচনিখনত যোগদান কৰি অব্যাহত ৰাখিব পাৰিব বা প্ৰস্থান আৰু প্ৰত্যাহাৰৰ ব্যৱস্থাৱলী মতে আঁচনিখনৰ ত্যাগ কৰিব পাৰিব।

পি.এম-এছ.ৱাই.এম. হৈছে 50:50 আধাৰত ধাৰ্য কৰা এখন অৰিহণামূলক পেন্সন আঁচনি য'ত হিতাধিকাৰীয়ে নিৰ্ধাৰিত বয়স-বিশিষ্ট অৰিহণা জমা কৰিব আৰু সম পৰিমাণৰ অৰিহণা কেন্দ্ৰীয় চৰকাৰে আগবঢ়াব। উদাহৰণ স্বৰূপে, এজন ব্যক্তিয়ে যদি 29 বছৰ বয়সত আঁচনিখনৰ অন্তৰ্ভুক্ত হয়, তেন্তে তেওঁৰ 60 বছৰ হোৱালৈকে প্ৰতি মাহে 100/- টকা অৰিহণা আগবঢ়াব লাগিব আৰু সমান পৰিমাণৰ 100/- টকা কেন্দ্ৰীয় চৰকাৰে জমা কৰিব।

### ii) পি.এম.এল.ভি.এম.ৱাই. (প্ৰধানমন্ত্ৰী লঘু বেপাৰী মন-ধন যোজনা)

এই পেন্সন আঁচনিখনৰ উদ্দেশ্য হৈছে খুচুৰা বিক্ৰেতা আৰু ব্যৱসায়ী (স্ব-নিয়োজিত শ্ৰমিকসকল) সকলৰ বাবে বৃদ্ধাৱস্থাৰ সুৰক্ষা সুনিশ্চিত কৰা

1.5 কোটি টকাতকৈ কম জি.এছ.টি টাৰ্ণঅভাৰ থকা আৰু 18-40 বছৰ বয়সৰ খুচুৰা বিক্ৰেতাসকলৰ লগতে সকলো দোকানী আৰু স্ব-নিয়োজিত লোক এই আঁচনিৰ অন্তৰ্ভুক্ত হ'ব পাৰে। এই আঁচনিৰ অধীনত, 50% মাহিলী অৰিহণা হিতাধিকাৰীয়ে জমা কৰে আৰু সম পৰিমাণৰ অৰিহণা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জমা কৰা হয়। 60 বছৰ বয়সত উপনীত হোৱাৰ পিছত, বৰঙণিদাতাসকল 3,000/- টকাৰ এটা মাহিলী ন্যূনতম নিশ্চিত পেন্সনৰ বাবে যোগ্যতা অৰ্জন কৰে

### iii) প্ৰধানমন্ত্ৰী কিষাণ মন-ধন যোজনা (পি.এম.কে.এম.ডি.ৱাই)

এই পেন্সন আঁচনিৰ উদ্দেশ্য হৈছে দেশৰ সকলো ভূমি থকা ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ (এছ.এম.এফ.সকল) বাবে বৃদ্ধাৱস্থাৰ সুৰক্ষা সুনিশ্চিত কৰা। 60 বছৰ বয়সত উপনীত হোৱাৰ পিছত দেশৰ ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলক (এছ.এম.এফ.সকল) 3000/- টকাৰ এটা ন্যূনতম নিশ্চিত পেন্সন প্ৰদান কৰাই এই আঁচনিৰ লক্ষ্য।

## অন্য পেন্সন আঁচনিসমূহ

ভাৰতত, চৰকাৰ প্ৰৱৰ্তিত পেন্সন আঁচনিবোৰৰ উপৰিও কেতবোৰ ৰাজহুৱা খণ্ড আৰুব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে আগবঢ়োৱা কিছুমান পেন্সন আঁচনিও আছে। অৱসৰৰ পৰিকল্পনা থকা এই পেন্সন আঁচনিবোৰে, কেতবোৰ বিনিয়োগৰ সুবিধাৰ লগতে অন্য অতিৰিক্ত লাভালাভো আগবঢ়ায়। এই পেন্সন আঁচনিবোৰৰ কিছুমান এনেধৰণৰ:

i) ইউ.এল.আই.পি (ইউনিট লিংকড ইঞ্চুৰেন্স প্লেন)ৰ দৰে বীমা সুৰক্ষা সামৰি লোৱা পেন্সন আঁচনিবোৰ হৈছে জীৱন বীমা আৰু পেন্সনৰ এক সমন্বয়।
ii) পিনিয়ন ফাণ্ড অ'ৰিয়েন্টেড হাইব্ৰিড মিউচুৱেল ফাণ্ডছ
iii) ইম্মেডিয়েট এন্নুইটী প্লেনবোৰে এন্নুইটী ফাণ্ডটোৰ বাবে ধন জমা কৰাৰ লগে লগেই সমগ্ৰ জীৱন কালৰ বাবে এক নিৰ্দিষ্ট পৰিমাণৰ বাৰ্ষিক বৃত্তিৰ ধন লাভ কৰিব

মডিউল 7

# গ্ৰাহক সুৰক্ষা আৰু অভিযোগ সমাধান

আজিৰ পৃথিৱীত বিত্তীয় প্ৰবঞ্চনা বা কেলেংকাৰী হৈছে এক বৰ্ধিত সমস্যা। প্ৰত্যেক বছৰে আমি অবৈধ আঁচনিত বিনিয়োগ কৰি মানুহে নিজৰ সকলো ধন-সম্পত্তি হেৰুওৱাৰ নিত্য নতুন কাহিনী শুনিবলৈ পাওঁ। কিন্তু ই অন্যান্য লোকসকলক এই আঁচনিবোৰৰ লুণ্ঠনত পৰাৰপৰা ৰক্ষা কৰিব পৰা নাই। ইয়াৰ কাৰণ হৈছে অপৰাধীবোৰ হৈছে অতি সৃষ্টিশীল আৰু ন ন চিকাৰ বিচাৰি উলিয়াবৰ বাবে সিহঁতে নিজৰ কৌশল সলনি কৰি থাকে। এই আশংকাবোৰৰ ওপৰত সচেতন হ'লে আপুনি নিজৰ ধন-সম্পত্তি নিৰাপদে ৰাখিব পাৰে। এনে কোনো ভুক্তভোগীক আপুনি চিনি পায়নে?

প্ৰবঞ্চনা বা কেলেংকাৰীৰপৰা নিজকে ৰক্ষা কৰাৰ প্ৰথম পদক্ষেপ হৈছে ইনো কি আৰু বিভিন্ন ধৰণৰ প্ৰবঞ্চনা বা কেলেংকাৰী কেনেকৈ চিনাক্ত কৰিব সেই কথা জানিব লাগিব।

## প্ৰবঞ্চনা বা কেলেংকাৰীৰ প্ৰকাৰসমূহ

প্ৰবঞ্চক বা কেলেংকাৰী কৰোঁতাবোৰে বিভিন্ন ধৰণে মানুহক লক্ষ্য কৰি লয়: ইমেইল আৰু টেলিফোনৰ জৰিয়তে, ভুক্তভোগীয়ে বিনিয়োগ কৰাৰ সময়ত বা ব্যক্তিগত তথ্য চুৰি কৰি।

## পুঁজি আঁচনি, ই কেনেকৈ কাম কৰে?








### জন বিপণন প্ৰতাৰণা

আপুনি এটা ইমেইল পাব যিটো এটা বিধিসন্মত কোম্পানীৰপৰা অহা যেনেই লাগিব, য'ত আপোনাক এনে এটা লিংকত ক্লিক কৰিবলৈ কোৱা হ'ব যি আপোনাক এটা ভুৱা ৱেবছাইটলৈ লৈ যাব। নিৰাপদে থাকিবলৈ হ'লে আপুনি কোম্পানীটোৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱৰালৈকে কেতিয়াও তাত বিনিয়োগ নকৰিব, দান-বৰঙণি নিদিব বা ফোনত বস্তু নিকিনিব।




### বিনিয়োগ প্ৰতাৰণা

কোনোবা এজনে আপোনাক এটা ব্যৱসায়ত বিনিয়োগ কৰাৰ লগতে বিক্ৰীৰ বাবে পণ্যসামগ্ৰী ক্ৰয় কৰিবলৈ নিয়োগ কৰিব। আপোনাক কিছুমান নতুন সদস্য নিয়োগ কৰিবলৈ কোৱা হ'ব। কিছুদিনৰ পিছত নতুন মানুহৰ যোগদান বন্ধ কৰিব। তেতিয়াই ব্যৱসায়টোৰ প্ৰৱৰ্তকসকলে আপোনাৰ টকা-পইচা লৈ উধাও হ'ব।




### লটাৰী কেলেংকাৰী

"অভিনন্দন! আপুনি এটা লটাৰী/ছুইপষ্টেক/ডাঙৰ পুৰস্কাৰ লাভ কৰিছে! পুৰস্কাৰটো ল'বৰ বাবে আপুনি এটা সামান্য মাচুল বা কৰ পৰিশোধ কৰিব লাগিব।" বিধিসন্মত প্ৰতিযোগিতাবোৰে পুৰস্কাৰটো সংগ্ৰহ কৰাৰ বাবে আপোনাৰপৰা কোনো মাচুল নলয়।

### ক্ৰেডিট আৰু ডেবিট কাৰ্ড প্ৰতাৰণা

যেতিয়া কোনো লোকে আপোনাৰ অনুমতি অবিহনেই আপোনাৰ কাৰ্ডখন, কাৰ্ডৰ তথ্য বা ব্যক্তিগত পৰিচয়জ্ঞাপক নম্বৰ (পিন) ব্যৱহাৰ কৰে তেতিয়াই ক্ৰেডিট কাৰ্ড আৰু ডেবিট কাৰ্ড প্ৰতাৰণা সংঘটিত হয়। আপোনাৰ পিনটোৰ বিষয়ে অন্য লোকক কেতিয়াও জানিবলৈ নিদিব।








### আত্মীয়তাৰ প্ৰতাৰণা

উমৈহতীয়া কাম-কাজ একেলগে কৰা এটা সমাজ এখনৰ, যেনে ধৰ্মীয় বা সামাজিক অনুষ্ঠানৰ যদি আপুনি এটা অংশ হয়, তেন্তে প্ৰতাৰকসকলে আপোনাৰ আস্থা অধিক সহজে জয় কৰিব পাৰে। কুচক্ৰীসকলে বিনিয়োগকাৰীসকলক বিষয়টো গোপনে ৰাখিবলৈও ক'ব পাৰে।

## অভিযোগ সমাধান – বেংকিং, বিনিয়োগ, বীমা আৰু পেন্সন

### বেংকিং - আৰ.বি.আই





**চি.এম.এছ: কমপ্লেইন্টছ মেনেজমেন্ট ছিষ্টেম**

### বিনিয়োগ - ছেবি





**এছ.চি.অ'.আৰ.ই.এছ: ছেবি কমপ্লেইন্টছ ৰিড্ৰেছ ছিষ্টেম**

## বীমা – আই.আৰ.ডি.এ.আই




**আই.জি.এম.এছ: ইন্টিগ্ৰেডেট গ্ৰীভেন্স মেনেজমেণ্ট ছিষ্টেম**

## পেন্সন




**পি.এফ.আৰ.ডি.এ. গ্ৰীভেন্স মেনেজমেণ্ট ছিষ্টেম**

# মন্তব্য

# মন্তব্য

## এন.চি.এফ.ই – বিত্তীয় শিক্ষাৰ ধ্বজাবাহী কাৰ্যসূচীসমূহ

বিত্তীয় শিক্ষা বিষয়ক আমাৰ কাৰ্যসূচীবোৰে বিভিন্ন বয়সৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি সমাজৰ সকলো খণ্ডকে সামৰি লয়।

স্কুলীয়া পৰ্যায়ত বিদ্যালয় শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ বাবে – এফ.ই.টি.পি আৰু এম.এছ.এছ.পি
কলেজীয়া পৰ্যায়ত যুৱ প্ৰজন্মৰ বাবে – এফ.এ.চি.টি
সমাজৰ প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে, বিশেষকৈ গ্ৰাম্যাঞ্চলৰ – এফ.ই.পি.এ

**বিত্তীয় শিক্ষাৰ প্ৰশিক্ষণ কাৰ্যসূচী (এফ.ই.টি.পি)**

এফ.ই.টি.পি হৈছে দেশখনৰ বিত্তীয় সাক্ষৰতা উন্নত কৰি তুলিবৰ বাবে জনসাধাৰণ তথা প্ৰতিষ্ঠানবোৰক পক্ষপাতহীন ব্যক্তিগত বিত্তীয় শিক্ষা প্ৰদান কৰিবলৈ এন.চি.এফ.ই.য়ে লোৱা এটা পদক্ষেপ। এন.চি.এফ.ই.য়ে সমগ্ৰ ভাৰতৰ বিদ্যালয়-শিক্ষক, 6ষ্ঠ শ্ৰেণীৰপৰা 10ম শ্ৰেণীৰত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলৰ বাবে এফ.ই.টি.পি অনুষ্ঠিত কৰি আহিছে। প্ৰশিক্ষণৰ সমাপ্তিৰ পিছত এই শিক্ষকসকলক "মানি স্মাৰ্ট টীচাৰ্চ" হিচাপে প্ৰমাণপত্ৰ দিয়া হ'ব আৰু এওঁলোকে বিদ্যালয়সমূহত বিত্তীয় শিক্ষা সহজসাধ্য কৰি তোলাৰ লগতে বুনিয়াদী বিত্তীয় দক্ষতা আহৰণ কৰিবৰ বাবে শিক্ষাৰ্থীসকলক উৎসাহিত কৰিব।

এন.চি.এফ.ই.য়ে আমাৰ ৱেবছাইটৰ (https://www.ncfe.org.in/program/fetp) লিংকটোৰ জৰিয়তে নিজৰ বিদ্যালয়-শিক্ষকসকলক পঞ্জীয়ণ কৰাৰ লগতে তেওঁলোকৰ বাবে এফ.ই.টি.পি সহজসাধ্য কৰি তুলিবলৈ বিদ্যালয়বোৰক উৎসাহিত কৰে

**মানি স্মাৰ্ট স্কুল প্ৰগ্ৰেম (এম.এছ.এছ.পি)**

এম.এছ.এছ.পি হৈছে বিত্তীয় সাক্ষৰতা উন্নত কৰি তুলিবৰ বাবে বিদ্যালয়সমূহত পক্ষপাতহীন বিত্তীয় শিক্ষা প্ৰদান কৰিবলৈ এন.চি.এফ.ই.য়ে লোৱা এটা পদক্ষেপ, যিটো প্ৰত্যেকগৰাকী শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশ বাবে এক গুৰুত্বপূৰ্ণ জীৱন-কৌশল। এন.চি.এফ.ই.য়ে VI পৰা X ৰ শিক্ষাৰ্থীসকলৰ বাবে তেওঁলোকৰ চলিত পাঠ্যক্ৰমৰ অংশ হিচাপে বিত্তীয় শিক্ষাক স্বেচ্ছাই অন্তৰ্ভুক্ত কৰিবলৈ বিদ্যালয়সমূহক আমন্ত্ৰণ জনায়। এন.চি.এফ.ই. আৰু চি.বি.এছ.ই.য়ে VI পৰা X ৰ শিক্ষাৰ্থীসকলৰ বাবে যৌথভাৱে সৰ্বাত্মক অধ্যয়ন সামগ্ৰী বিকশিত কৰিছে।
এই কাৰ্যসূচী ৰূপায়ণ কৰা বিদ্যালয়সমূহক "মানি স্মাৰ্ট স্কুলছ" হিচাপে প্ৰমাণপত্ৰ দিয়া হ'ব আৰু সফলতাৰে সম্পন্ন কৰাৰ পিছত এখন শ্বিল্ড/ট্ৰফী তথা ই-বেজেৰে পুৰস্কৃত কৰা হ'ব।

এন.চি.এফ.ই.য়ে আমাৰ ৱেবছাইট: (https://www.ncfe.org.in/program/mssp) ৰ জৰিয়তে এম.এছ.এছ.পি কাৰ্যসূচীৰ বাবে পঞ্জীয়ণ কৰিবলৈ বিদ্যালয়সমূহক উৎসাহিত কৰে

**বিত্তীয় সজাগতা আৰু উপভোক্ত প্ৰশিক্ষণ (এফ.এ.চি.টি)**

এফ.এ.চি.টি হৈছে যুৱ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰত্যক্ষৰূপে প্ৰাসংগিক বিষয়সমূহৰ ওপৰত, বিত্তীয় শিক্ষা প্ৰদান কৰিবৰ বাবে মুকলি কৰা এটা কাৰ্যসূচী, ইয়াৰ ফলস্বৰূপে যি তেওঁলোকৰ বিত্তীয় কল্যাণৰ ওপৰত ইতিবাচকৰূপে প্ৰভাৱ পেলাব। এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে বিত্তীয় উপভোক্তা হিচাপে নিজৰ অধিকাৰ আৰু দায়িত্বসমূহ কি কি, বিত্তীয় লক্ষ্যসমূহ কেনেকৈ নিৰ্ধাৰণ কৰিব আৰু প্ৰয়োজন হ'লে সহায়ৰ বাবে তেওঁলোক ক'লৈ যাব লাগিব সেই বিষয়ে সজাগ কৰি তোলা।

এন.চি.এফ.ই.য়ে আমাৰ ৱেবছাইটৰ [https://www.ncfe.org.in/program/fact] লিংকটোৰ জৰিয়তে নিজৰ শিক্ষাৰ্থীকলক পঞ্জীয়ণ কৰাৰ লগতে তেওঁলোকৰ বাবে এফ.ই.টি.পি সহজসাধ্য কৰি তুলিবলৈ স্নাতক আৰু স্নাতকোত্তৰ মহাবিদ্যালয়বোৰক উৎসাহিত কৰে

**প্ৰাপ্তবয়স্কৰ বাবে বিত্তীয় শিক্ষাৰ আঁচনি (এফ.ই.পি.এ)**

প্ৰাপ্তবয়স্কৰ বাবে বিত্তীয় শিক্ষাৰ আঁচনি (এফ.ই.পি.এ) হৈছে ভাৰতৰ প্ৰাপ্তবয়স্ক লোকসকলৰ মাজত বিত্তীয় সজাগতা প্ৰসাৰ কৰিবৰ বাবে এন.চি.এফ.ই-ৰ দ্বাৰা ডিজাইন তথা ৰূপায়ণ কৰা এক বিত্তীয় সাক্ষৰতাৰ কাৰ্যসূচী। এই কাৰ্যসূচীৰ বাবে বিভিন্ন শ্ৰেণীৰ চিনাক্ত লোকক লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্যসূচীৰ কৰ্মশালাই অংশগ্ৰহণকাৰী সকলক তেওঁলোকৰ নিজৰ বিত্তসমূহ এক সৰ্বোত্তম পদ্ধতিৰে ব্যৱস্থিত কৰাৰ বাবে সাজু কৰি তুলিব। তাৰোপৰি, এই কৰ্মশালাই বেংকিং, বিনিয়োগ, বীমা আৰু অৱসৰ পৰিকল্পনাত প্ৰচলিত বিত্তীয় সামগ্ৰী তথা সেৱাসমূহৰ সন্দৰ্ভতো প্ৰাথমিক জ্ঞান প্ৰদান কৰে।

এফ.ই.পি.এ.ৰ বিষয়ে অতিৰিক্ত তথ্যৰ বাবে এই লিংকটো চাওক: [https://www.ncfe.org.in/program/fepa]

राष्ट्रीय वित्तीय शिक्षा केन्द्र

National Centre for Financial Education

एक आर्थिक रुप से जागरुक और सशक्त भारत

A financially aware and empowered India

Promoted By :

## এন.চি.এফ.ই.- বিত্তীয় শিক্ষাৰ ধ্বজাবাহী কাৰ্যসূচীসমূহ



MSSP



FETP



FACT



FEPA


যোগাযোগৰ ঠিকনা:

022-68265115/114/106

ৰাষ্ট্ৰীয় বিত্তীয় শিক্ষা কেন্দ্ৰ,

6ষ্ঠ মহলা, এন.আই.এছ.এম ভৱন,

প্লট নং 82, ছেক্টৰ-17, ভাছি, নবী মুম্বাই- 400703

www.ncfe.org.in

info@ncfe.org.in

youtube.com/ncfeindia

twitter.com/ncfeindia

facebook.com/ncfeindia

instagram.com/ncfeindia